# যুগদেবতা

শ্রীনলিনীবালা দেবী

A
891.450 18
N 147 Y

N 147 Y

# যুগদেৱতা

[ জাতীয় কবিতা ]

পদ্মশ্ৰী নলিনীবালা দেৱী কাব্য ভাৰতী

লয়াৰ্চ বুক ষ্টল

গুৱাহাটী ঃ অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল
লয়াৰ্চ বুক ষ্টল
গুৱাহাটী, অসম।

Library IIAS, Shimla
A 891.450 18 N 147 Y
00031955
A.
891.450 18
N 147 Y
31955
21-6-6

প্ৰথম প্ৰকাশ :
এপ্ৰিল, ১৯৫৮ চন

মূল্য : ২॥০

সৰ্ব্বস্বত্ব সংৰক্ষিত

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

# উছৰ্গা

শত সাধকৰ শত শ্বহীদৰ
সোণালী আশাৰে ৰঙোৱা
লক্ষ জীৱনৰ ত্যাগ আহুতিৰ
আৰতি প্ৰদীপ জ্বলোৱা
কোটি প্ৰাণ দান বিনিময়ে পোৱা
স্বাধীন ভাৰত মুক্ত প্ৰাণ
ভাৰত বুকুৰ শ্বহীদ সমাধি
মুকুতিৰ দোল পুণ্য স্থান
প্ৰবীণ তৰুণ তেজ বোলে ৰঙা
মাতৃভূমিৰ পৱিত্ৰ ধূলি
প্ৰতিটি ধূলিৰ কণিকাই কয়
প্ৰাণ কণা আছে ধূলিতে মিলি
জ্ঞাত অজ্ঞাত খ্যাত অখ্যাতৰ
সুঁৱৰি কৰুণ মহিমা-গান
অৰপিলো মোৰ "যুগৰ দেৱতা"
লবা অতীত শতেক মহান প্ৰাণ।

# উপহাৰ

নাম..................................

উদ্দেশ্য..................................

দিওঁতা..................................

# কব লগীয়া দুআষাৰ

মহাভাৰত ৰচনাকাৰী পুৰুষোত্তম ভগবান শ্ৰীকৃষ্ণ, ভাৰতীয় সংস্কৃতিৰ জন্মদাঁতা মহামুনি কবি ব্যাসদেৱ, যুগদেৱতা অহিংস ধৰ্ম্মৰ মন্ত্ৰস্ৰষ্টা ভগবান বুদ্ধদেৱ, কুৰি শতিকাৰ যুগ-নিৰ্ম্মাতা নৱ ভাৰতৰ প্ৰতিষ্ঠাতা জাতিৰ জনক বাপুজী আৰু পূৰ্ব্ব ভাৰত অসমৰ ধৰ্ম্ম-সংস্কৃতিৰ গুৰু শঙ্কৰদেৱ। এই সকল মহাজীৱনৰ মহিমা স্মৰণতেই "যুগদেৱতা"ৰ জন্ম। শেষত, যি-সকল মহাপ্ৰাণে মুক্তি-দেৱতা বাপুজীৰ অহিংস মন্ত্ৰত দীক্ষিত হৈ জীৱনৰ ঐহিক সুখ ত্যাগ কৰি পৰাধীন দেশৰ বন্ধনৰ নাগপাশ মুক্তিৰ অৰ্থে নিজৰ জীৱন উছৰ্গা কৰিছিল, আৰু আত্মদানৰ প্ৰতিভাৱে অচেতন দেশত নৱ চেতনাৰ সঞ্চাৰ কৰিবলৈ সমৰ্থ হৈছিল সেই জাতীয় জাগৰণৰ দেশৰ পূজাৰী-সকলৰ সোঁৱৰণ "যুগদেৱতা"ৰ জাতীয় জাগৰণৰ অধ্যায়ত সন্নিবেশ কৰা হ'ল। যুগদেৱতাৰ প্ৰায় খিনি কবিতা জাতীয় ভাব লৈ লিখা। ভাৰতৰ তথা অসমৰ বিভিন্ন পৰিস্থিতিত লিখা সিঁচৰতি হৈ থকা কেইটীমান কবিতাও জাতীয় জাগৰণৰ জাগৃতি অধ্যায়ত সন্নিবেশ কৰা হ'ল। এই পুথি খনিৰ ভালে-খিনি কবিতা অনাতাঁৰ যোগে প্ৰচাৰিত হৈছে। এটা কবিতা

চেনলাত ৰেকৰ্ডিং কৰা হৈছে। অসমৰ পুৰণি পৰিস্থিতিত লিখা দুটা মান কবিতা এই পুথিত ঠাই দিয়া হৈছে, অশোভন হলেও ৰাইজৰ পৰা ক্ষমা বিচাৰিলোঁ। শেষত শ্ৰীযুত বিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাই পুথি খনি প্ৰকাশ কৰিবলৈ গাত লোৱাত তেখেতক মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

১৩ এপ্ৰিল, ১৯৫৮ চন লেখিকা

# সূচী


| | বিষয় | | | পৃষ্ঠা |
|---|---|---|---|---|
| ১। | ভাৰতবৰ্ষ | ... | ... | ১ |
| ২। | দেৱভাষা | ... | ... | ২ |
| ৩। | পুৰুষোত্তম শ্ৰীকৃষ্ণ ৰূপ | ... | ... | ৩ |
| ৪। | মহামুনি বেদব্যাস | ... | ... | ৬ |
| ৫। | যুগদেৱতা বুদ্ধদেৱ | ... | ... | ১০ |
| ৬। | কবি কালিদাস | ... | ... | ১১ |
| ৭। | শঙ্কৰ প্ৰণতি | .. | ... | ১৬ |
| ৮। | মাধৱ বান্ধৱ | ... | ... | ১৮ |
| ৯। | গতি পথ | ... | ... | ২০ |
| ১০। | গায়ক তানসেন | ... | ... | ২৩ |
| ১১। | সৰগ ক'তনো আছে | ... | ... | ২৮ |
| ১২। | "সত্যাগ্ৰহী জয়মতী" | ... | ... | ৩০ |
| ১৩। | জাগৃতি | ... | ... | ৩৫ |
| ১৪। | মহামানৱ | ... | ... | ৩৭ |
| ১৫। | মানৱ | ... | ... | ৪০ |
| ১৬। | যুগবাণী | ... | ... | ৪১ |
| ১৭। | পোন্ধৰ আগষ্ট | ... | ... | ৫১ |
| ১৮। | জয়যাত্ৰা | ... | ... | ৫৫ |

| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| ১৯। বাপুৰ সপোন | ... | ... | ৬১ |
| ২০। পৃথিবী কি পালি দান | ... | ... | ৬৬ |
| ২১। তুমিতো নোহোৱা দেৱ সহজ মানুহ | | ... | ৬৮ |
| ২২। 'সত্যমেৱ জয়তে নান্যতম্' | ... | ... | ৭১ |
| ২৩। সম্ভবামি যুগে যুগে | ... | ... | ৭৬ |
| ২৪। দিব্য জ্যোতি চিৰ অস্তমিত | ... | ... | ৭৯ |
| ২৫। কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ | ... | ... | ৮২ |
| ২৬। দেশভক্ত তৰুণ ৰাম ফুকন | ... | ... | ৮৬ |
| ২৭। লোকপ্ৰিয় গোপীনাথ বৰদলৈ | | ... | ৮৮ |
| ২৮। ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা | ... | ... | ৯০ |
| ২৯। মুক্তিব্ৰত | ... | ... | ৯১ |
| ৩০। তৰুণ প্ৰগতি | ... | ... | ৯৬ |
| ৩১। পৰাচিত | ... | ... | ৯৯ |
| ৩২। বাপুজীলৈ চিঠি | ... | ... | ১০৪ |
| ৩৩। পাহাৰী তোমাৰ নাম নাযাবা পাহৰি | ... | ... | ১০৯ |
| ৩৪। চেনেহী ভাষা | ... | ... | ১১৬ |
| ৩৫। মৰমী অসমী আই মাতৃভূমি মোৰ | | ... | ১১৯ |
| ৩৬। পৃথিবীৰ ঋতুসজ্জা | ... | ... | ১২৩ |
| ৩৭। আহ্বান | ... | ... | ১২৯ |
| ৩৮। মাতৃ বন্দনা | ... | ... | ১৩২ |

| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| ৩৯। আইৰ পূজা | ... | ... | ১৩৭ |
| ৪০। পূৰৱ জেউতি | ... | ... | ১৩৯ |
| ৪১। ওপজা ঠাই | ... | ... | ১৪০ |
| ৪২। আমাৰ ৰঙালি বিহু চেনেহে ৰঙোৱা | ... | ... | ১৪২ |
| ৪৩। সমলয় | ... | ... | ১৪৭ |
| ৪৪। মৌ কোঁহ | ... | ... | ১৪৯ |

# যুগদেৱতা

## ভাৰতবৰ্ষ

হে মাতৃ ভাৰতবৰ্ষ! ঋষি সাধনাৰ
মনীষাৰ তীৰ্থ ভূমি তুমি
কুমাৰী উষাই দিলে জ্ঞান দীপ জ্বালি
মানৱৰ চিত্ত সিন্ধু উঠিল উজলি
প্ৰথম অৰুণ আভা
জয়টীকা জ্বলে কপালত
সৱিতাৰ দীপ্ত জ্যোতি লাগি।
ধ্বনিলে প্ৰথম পুৰা তোমাৰ কণ্ঠত
শাশ্বত অমৰ আত্মা চিৰ চিৰন্তন
অমৰণ অভগণ অমৃত সন্তান
ভ্ৰান্ত মানৱক দেৱী দিলা দিব্য জ্ঞান
অধৰ্ম্মৰ অভ্যুত্থান ধৰ্ম্মৰ গ্লানিত
নামি আহে যুগে যুগে যুগৰ দেৱত
তোমাৰ কণ্ঠত জাগে মৃত্যুহীন গান
নৱ ধৰ্ম্মে জগতক দিয়া দীক্ষা দান।
অভিনৱ যুগ ধৰ্ম্ম কৰা সংস্থাপন
হে ভাৰত! তোমাৰ বুকতে জ্বলে
মৃত্যুহীন ধ্ৰুব জ্যোতি অনন্ত অম্লান।

# দেৱভাষা

দেৱভাষা ভাৰতৰ আদিম জননী
ভাৰতৰ আতমাৰ দীপ্ত জ্ঞান মণি
তোমাৰ প্ৰসাদে মাতৃ ভাৰত অমৰ
ঋষিৰ সাধনা ক্ষেত্ৰ অনন্ত জ্ঞানৰ।

বাণী বীণা ঝঙ্কাৰিত অনন্ত ধ্বনিত
ভাৰতৰ দিব্য জ্ঞান সাধনা অমৃত।

মহামুনি দ্বৈপায়নে মেলি দিলে প্ৰাচ্য সিংহ দ্বাৰ,
নিনাদি উঠিল ধ্বনি দেৱবাণী সংস্কৃত ভাষাৰ।
বিতৰে অপূৰ্ব্ব জ্যোতি ঐতিহ্যৰ মহান গৌৰৱ,
দৰ্শন, বিজ্ঞান কলা সঙ্গীতৰ সংস্কৃতি বৈভৱ।

জীৱনে বিচাৰি পালে জীৱনৰ অমৃত স্বৰূপ,
প্ৰকাশিত মহা জ্ঞান ভাৰতৰ দিব্য অপৰূপ,
বহন কৰিছা দেৱী! যুগে যুগে অমৃত বাৰতা,
ভাৰতৰ মণি সিংহাসন থাপিলা তুমিয়ে আদি মাতা।

তোমাৰ প্ৰসাদে মাতৃ-তীৰ্থ ক্ষেত্ৰ ভাৰত জননী
পূৰ্ব্ব জ্যোতি গৰিমাৰ তুমিয়েই জ্ঞান স্পৰ্শ মণি।

অমৰ তোমাৰ বাণী যুগে যুগে জ্ঞান প্ৰকাশিব,
ভাৰতৰ জ্ঞানৰ অমৃত তৃষিত বিশ্বত বৰষিব॥

## পুৰুষোত্তম শ্ৰীকৃষ্ণ ৰূপ

হে কৃষ্ণ হে শ্যামল সুন্দৰ!
অনন্ত অসীম তুমি
    পূৰ্ণ তৃপ্তি জীৱ জগতৰ
কোন সেই সৃষ্টিৰ আদিত
কোন ধ্যানী কোন কবি
    কোন চিত্ৰকৰে
কল্পনাৰ মানস পটত
আঁকিছিল গঢ়িছিল
হে সুন্দৰ! তোমাক নীৰলে।
    মহা শূন্য মহা অসীমৰ
    শ্যাম জ্যোতি আনি—

বিশ্বৰ সৌন্দৰ্য্য যাৰ
    অপূৰ্ব্ব সুষমা সানি সানি
    গঢ়িছিল হে মোহন
    অতুলন মনোময় তনু।

প্ৰকৃতিৰ পুবাৰুণে সোণোৱালী কৰা
    জ্যোতিৰ্ম্ময় পীতবস্ত্ৰ ধৰা
    সূৰ্য্য জ্যোতি কৌস্তুভ মণি
শ্ৰীবৎসৰ মালা চন্দ্ৰ তৰা
ভুবনমোহন বেণু বিশ্বমনোহৰা।

## যুগদেৱতা

মুৰলীৰ মধু সুৰে সুৰে
আকৰ্ষিছা বিশ্ব জগতক
প্ৰাণে প্ৰাণে বাজে সুৰধ্বনি।

সপ্তৰশ্মি সৱিতাৰ ময়ুৰ কীৰিটি
কেয়ুৰ কঙ্কন জ্বলে মৰকত মণি!

কমল তুনয়নত সনা—
জগতৰ অনন্ত সুষমা
অধৰত স্মিত হাঁহি
বিতৰিছে ক্ষমাৰ কৰুণা।

কুসুমৰ সুৰভি সম্ভাৰ
প্ৰকৃতিয়ে দিলে বনমালা
অৰ্চ্চি দিলে অগৰু চন্দনে—
মোহন বেণুৰ সুৰে সুৰে
ব্যাকুল বিশ্বৰ প্ৰাণ
হৃদয় চাতকী উৰে সুৰৰ সন্ধানে।

সত্ব, শুদ্ধ, স্নিগ্ধ কান্তি
প্ৰেমময় হে চিৰসুন্দৰ!

তুচ্ছ কৰি জীৱনৰ ভোগ অভিলাস
সুন্দৰ ভুবনে মাগে
পদৰেণু কমল পদৰ।

কোটি কোটি ব্যাকুল পৰাণে
আলোকত পতঙ্গৰ দৰে
উছর্গিছে দেহ প্ৰাণ তোমাৰ ধ্যানত।

অজ্ঞাত জীৱন পথ
অজ্ঞাত সাৰথি তুমি
লৈ যোৱা জীৱনৰ ৰথ।

মানসৰ দেৱালয় জুৰি
মৰ্ম্মৰ মাজত জ্বলে
মনোময় মনোহৰ পুৰী
অনাহত অমৃত ভড়াল
তোমাৰ প্ৰেমৰ তাত ফুলে পাৰিজাত
তোমাৰ অমিয়া কৰুণাৰ—শান্তি জলাধাৰ
সিচি আছা নিৰ্ম্মালি শিৰত
নন্দনৰ পাৰিজাত মণি মুকুতাৰ।

ৰূপ মুগ্ধ দুচকুত চমক লগাই
ৰূপৰ ৰশ্মিৰে তুমি হৃদয় বোলাই
জীৱনৰ সৰ্ব্বস্ব হৰিছা
প্ৰেমে প্ৰাণ কৰি পুলকিত
অন্তৰৰ গোপন বেদীত
হে মায়াবী আসন পাতিছা।

তথাপিও ব্যাকুল হিয়াই
বিচাৰিছে তোমাকে সদায়
চিৰ ভুবনৰ ৰূপ জ্যোতি
তুমি :আছা হিয়াতে লুকাই।
হৃদয়ৰ মণিকূট জুৰি
সুন্দৰৰ মনোহৰ পুৰী
ব্যাকুল হিয়াই কান্দে
জীৱনৰ পাৰে পাৰে
হে সুন্দৰ! তোমাকে বিচাৰি॥

---

## মহামুনি বেদব্যাস

বিস্মৃতিৰ আদিম অতীত
ভাৰতৰ সংস্কৃতিৰ অভ্যুত্থান
বিশ্বৰ বন্দিত
স্মৰণীয় প্ৰজ্ঞা দীপ্ত প্ৰথম প্ৰভাত
বিস্ময় বিমুগ্ধ প্ৰাণে
বাৰে বাৰে কৰো প্ৰণিপাত।

জ্ঞানাৰুণে সুৰঞ্জিত ভাৰত আকাশ
উদ্ভাসিত তপোশিখা
ধ্যান জ্ঞান কল্পনাৰ
মহা সাধনাত
তমসা আবৃত যুগ কৰি সমুজ্জ্বল
উদিল গৌৰৱ সূৰ্য্য মুনি ৱেদব্যাস।

যমুনা দ্বীপত কুঁৱলী আবৃত এটি
শুভ লগনত
তেজোময় পৰাশৰ মুনি মানসত
সত্যৱতী মাতৃৰ গৰ্ভত
তপোধন জন্ম জাতিস্মৰ
জনমৰ লগে লগে মগ্ন সাধনাত।

দ্বীপত জন্ম হেতু
নাম হ'ল কৃষ্ণ দ্বৈপায়ন।

ভাৰতৰ জ্ঞান চকু
চতুৰ্ব্বেদ বিভাগ বিভাস
প্ৰচাৰিলে ভিন্ন বাৰ্ত্তা
বিভিন্ন জ্ঞানৰ
ৱেদৰ বিভাগ নামে
প্ৰচাৰিত মহামুনি কৃষ্ণ ৱেদব্যাস।

আজন্ম সাধক মুনি
শক্তিধৰ দ্বীপ্ত প্ৰতিভাৰ
মহিমাৰ সত্য জ্যোতি শৌৰ্য্য পৰকাশ
দৰ্শন বিজ্ঞান কলা
কাব্য প্ৰেৰণাত মণ্ডিত মহিমাময়—
যথা ধৰ্ম্ম তথা জয়
ছন্দে ছন্দে বিৰচিলে
ভাৰতৰ মহা ইতিহাস।

মধুচক্ৰে শত ছন্দে ভৰা
মহা ভাৰতৰ কথা
সংস্কৃতিৰ অমৃত নিজৰা
ত্যাগ সেৱা বীৰত্বৰ
অমৰ কাহিনী
মাতৃ ভক্তি ভ্ৰাতৃ প্ৰেম
ৰাজনীতি ন্যায় নীতি
আদৰ্শৰ সুধা সঞ্জীৱনী।

হে মহামুনি,
আঁকিলা যি খনি চিত্ৰ
ভাৰতৰ যুগ দেৱতাৰ
বাসুদেৱ শ্ৰীকৃষ্ণৰ চৰিত্ৰ মহান
সুন্দৰৰো পৰম সুন্দৰ

প্ৰেমময় চিৰ মনোহৰ
ধৰ্ম্মৰ দৃঢ়তা সত্য
আদৰ্শৰ মহিমা মহান
সেয়ে হল যুগ যুগান্তৰ
ভাৰতৰ সুধা স্পৰ্শমণি।

আজি! বহু যুগ যুগৰ শেষৰ
অতীতৰ স্মৃতি লেখা লিপিকা অমৰ
ভাৰতৰ গন্ধে ছন্দে
ধ্বনিত ৰণিত সুৰ
দীপ্ত জন গণ
যুগ সংস্কৃতিৰ সংস্থাপক
আদিম জনক তুমি
হে মহামুনি,
শ্ৰদ্ধাময় বিস্ময় প্ৰাণেৰে—বিশ্বই বন্দনা কৰে
প্ৰতিভা তোমাৰ—
লোৱাঁ ক্ষুদ্ৰ হৃদয়ৰ ভক্তি অৱনত মোৰ
কোটী কোটী বাৰ নমস্কাৰ॥

---

# যুগদেৱতা বুদ্ধদেৱ

হে যুগদেৱতা বৰষা শান্তি
জগোৱা মৃত প্ৰাণ
বুদ্ধ শৰণ মন্ত্ৰে জগোৱা
মুমূৰ্ষু মৃত প্ৰাণ
দিয়া নতুন দীক্ষা দান।

হিংসা কলুষে আৱৰা ধৰণী
অন্ধ আকুল দৃষ্টি
শান্তি করুণা প্ৰেম মৈত্ৰীৰে
কৰা কল্যাণ সৃষ্টি

জ্ঞানৰ শিখাৰে বিতৰা কিৰণ
বিকশিত হওক সাধনা সপোন
অমৰ প্ৰেমৰ মন্ত্ৰে শিকোৱা
অমিয়া প্ৰেমৰ গান
দিয়া নতুন দীক্ষা দান।

নৱ জীৱনৰ মনীষা আলোক
নতুন চেতনে পুলকিত হওক
মহামানৱতা জাগ্ৰত কৰা
অমৃত অভিযান
দিয়া নতুন দীক্ষা দান।

মৰু মৰতত তযু কল্যাণ বাণী
মহা চেতনাৰ বিতৰে পৰশমণি
প্ৰেম সঙ্গীতে স্পন্দিত কৰা প্ৰাণ
মহা মানৱতা জাগ্ৰত কৰা
অমৃত অভিযান
দিয়া নতুন দীক্ষা দান।

---

## কৱি কালিদাস

পাহৰণি অতীতত কল্পনাৰ সাত ৰঙে
ইন্দ্ৰ ধনু ৰচি
নিপুণ তুলিকা ধৰি আঁকিছিলা ছবি
হে অমৰ কবি!
মুগ্ধ লেখনিত ছন্দে ছন্দে
জাগিল ব্যঞ্জনা
সুৰে সুৰে কঁপিল মূৰ্চ্ছনা
কাব্য ৰসে সুৰঞ্জিত
পল্লবিত তৰুলতা বসন্ত মঞ্জৰী
মন্দাক্ৰান্তা মধুৰ সঙ্গীত।
বিশ্বৰ বেদনা অশ্ৰু শত বিৰহীৰ
সৰি পৰে নিজৰি নিজৰি।

প্ৰাণে পায় ভাষা বিৰহৰ
অনন্ত তৃষাত
জীৱনৰ মধুছন্দ জাগি উঠে
কবি কল্পনাত
যৌৱনৰ তৃষিত হিয়াৰ
মূক মৌন শত সমাচাৰ
প্ৰকৃতিৰ বিচিত্ৰ উল্লাস
স্থাৱৰ জঙ্গমে পায় ভাষা
লৈ যায় ডাৱৰে বাতৰি
দূৰণিৰ দেশলৈ বিৰহী হিয়াৰ।
মধুৰসে উতলা প্ৰকৃতি
বিৰচিলা অভিনব মহা কাব্যগীতি
মেঘদূত, ৰঘুবংশ, কুমাৰ সম্ভৱ,
অভিনৱ শকুন্তলা সৌন্দৰ্য্য মূৰতি।
ৰাজন্য সম্ভ্ৰমে তুমি
ৰাজসভা কৰি আলোকিত
নবৰত্ন উজ্জয়িনী কবি
দশোদিশে বিয়পিল যশৰ সুৰভি।
কণ্ঠত পিন্ধালে কবি
বৈজয়ন্তী মালা ভাৰতীয়ে
কবিকুল শিৰোমণি পালা শীৰ্ষস্থান
অমৰ ভাস্বৰ ছন্দে—

যুগৰ বৰ্ত্তিকা জ্বালি কবিতা তোমাৰ—
বৈতালিকে কৰে গুণ গান।
গভীৰ সৌন্দৰ্য্য শোভা নাগ অধিৰাজ
হিমগিৰি পৰ্ব্বতৰ তুঙ্গ শিখৰত
ধ্যান মগ্ন ধূৰ্জ্জটিৰ তপো ভঙ্গ কৰি
ভস্মীভূত কামদেৱ হৰৰ কোপত।
তপস্বিনী কুমাৰী উমাৰ
কঠোৰ তপস্যা বলে
সিদ্ধি হ'ল দেৱ মনোৰথ
মহাশিৱ গৃহবাসী
পৰাজিত আশুতোষ উমাৰ তপত।
হৰগৌৰী মিলনৰ মহা মহোৎসৱ
দেৱলোকে বিজয়ৰ দীপালী জ্বলাই
সৃষ্টি হেতু কুমাৰ সম্ভৱ।
সবংশে ৰাৱণ বধি বিজয়ী ৰাঘৱে
উদ্ধাৰিলে অশোকৰ বন্দিনী সীতাক
শ্ৰীৰামৰ শৌৰ্য্য বীৰ্য্য সীতাৰ সুষমা
প্ৰীতি প্ৰেম জানকীৰ বিৰহ বেদনা
কল্পনা সপোন সনা
ৰঘুবংশৰ অপূৰ্ব্ব কাহিনী।
সুনীলিম সাগৰৰ ভাৰতৰ
ৰূপ ৰাশি দেখি

শ্ৰীৰামৰ কণ্ঠ ভেদি জাগিল বন্দনা
“আভাতি বেলা লৱণাম্বু ৰাশি”
মধুছন্দে বিৰচিলা
কাব্য শ্লোক ৰাশি।

কমণীয় কল্পনাৰ সপোন সুষমা
জগতৰ সৌন্দৰ্য্যৰ ৰূপ তিলোত্তমা
কণ্বমুনি প্ৰিয় কন্যা আশ্ৰম বাসিনী
শকুন্তলা জীৱনৰ মধুৰ কাহিনী
মিলন বিৰহ ভৰা কাব্য অপৰূপ
অভিনৱ শকুন্তলা বন ফুল ৰাণী।

কোন মেঘ মেদুৰ সন্ধ্যাত
শাওণৰ ভৰ বাৰিষাত
ৰচিলা বিৰহী কবি কাব্য মেঘদূত
বাজে তাৰ প্ৰতি ছন্দ
জগতৰ বিৰহী বুকুত।

ৰামগিৰি শিখৰত—
নিৰ্ব্বাসিত তৰুণ প্ৰাণৰ
বিৰহিনী প্ৰিয়ালৈ লৈ
প্ৰণয়ৰ কৰুণ বাতৰি
ডাৱৰ কটকী গল
কল্পনাৰ সুৱদী বিচাৰি।

দূৰ অলকাত যত
প্ৰেমিকাই ভূমি শয়নত
মুকলি মূৰৰ কেশ মলিন বেশত
নীৰলে বিৰহ নিশা চকুলো বোৱাই
বিৰহী প্ৰাণত হাঁয়
সুখ স্মৃতি দিয়ে সোঁৱৰাই।

হে দৰদী কবি!
কল্পনা সাধক
ৰূপে ৰসে গন্ধে ছন্দে কৱিতা তোমাৰ
অনুৰাগে চিৰ সুৰঞ্জিত
তথাপিও বিশ্ব কবি
তোমালৈ পতা ৰব
সুকোমল সহানুভূতিৰ
এখনি সুকীয়া সিংহাসন
যুগে যুগে বিৰহী প্ৰাণত
সুগোপন অশ্ৰুকণা টুপি
পৰিব নীৰলে সৰি
হিয়াৰ তলিত।

অল ইণ্ডিয়া ৰেডিঅ'ত ৰেকৰ্ডিং
গুৱাহাটী, ১৯৫৬ চন

# শঙ্কৰ-প্ৰণতি

জাতিৰ জনক তুমি হে মহান
হে গুৰু শঙ্কৰ!
মানৱীয় সংস্কৃতিৰ কৰ্ণধাৰ তুমি
জগতৰ সৌন্দৰ্য্যৰ পূজাৰী প্ৰেমৰ
ভাগৱতী ধৰ্ম্ম ৰূপ মহা ভাগৱত
তোমাৰ স্মৃতিৰ পূজা পৱিত্ৰ তিথিত
কিহেৰে তোমাক দেৱ জনাম প্ৰণতি?

জীৱনৰ ছন্দে ছন্দে বাজে
তোমাৰ সুৰেৰে গঁথা মধুৰ সঙ্গীত
অসমৰ ফুলনিত ৰুই থোৱা
তোমাৰেই কবিতা কুসুমে
গাথিলো পূজাৰ মালা
সজালো শৰাই
লোৱা দেৱ!
আৰু যে শৰাইত মোৰ
আন ফুল নাই।

নেলাগে সজাব দৌল কৰি পয়োভৰ
অসমৰ প্ৰাণে প্ৰাণে তোমাৰ সঙ্গীত
মুখে মুখে মুখৰিত নামৰ অমিয়া
আকাশ বতাহ মুখৰিত

সাজি গলা অসমত সৌন্দৰ্য্যৰ খনি
সুইতৰ বগা বালি সোণেৰে চৰাই
ধুনীয়া অসম জুৰি সোণালী ৰঙেৰে
থাপিলা অমিয়া ৰূপ বিবিধ ৰঙেৰে।
সাত ৰঙে তুলিকা বুলাই।

সত্য প্ৰেম মৈত্ৰীৰ সাধনা
সুৰ বস ধৰ্ম্মৰ অমিয়া
নৃত্য গীতে কৰি মধুময়
সুখে দুখে ভৰপূৰ সংসাৰ মাজত
শিকালা যি মানৱৰ নীতি
কি দৰে মানৱে লভে পূৰ্ণ মহাজ্ঞান
সঙ্গীতত দিব্য অনুভূতি।

তুমিয়ে শিকাই যোৱা প্ৰেমৰ অমৰ মন্ত্ৰ
সুন্দৰৰ সতে পতা সম্বন্ধ মধুৰ
দাস্য, সখিত্ব, প্ৰিয়, মাধৱক বন্ধু ৰূপে
নৱ বিধা ভকতিৰে
জীৱন সুৱদি বাকি
গাবলৈ বন্দনাৰ সুৰ।

দীক্ষিত অসম ভূমি তোমাৰ মন্ত্ৰত
জীৱনৰ গতি পথ কৰে নিৰূপিত
শান্তিৰ অসম ভূমি

২

31955
21.6.66

পুণ্য কামৰূপ ধাম
শান্তিময় ভাগৱতী ধৰ্ম্মত দীক্ষিত।
তোমাৰ অমিয়া নাম মন্ত্ৰৰ প্ৰভাৱে
জীৱনৰ কামনাই নৱ ৰূপ পায়
তোমাৰেই মহিমাৰে অমৰ অসমী ৰাণী
মহানৰ সৌন্দৰ্য্যৰ জেউতি চৰাই।

শ্ৰীশঙ্কৰ গুৰুৰ তিথিত পঠিত
অসম মেডিকেল কলেজ, ডিব্ৰুগড়
১৯৫৬ চন

---

## "মাধৱ বান্ধৱ"

কমনীয় কল্পনাৰ
কবিতা কুসুম তুলি
বৰগীত মাধুৰীৰে সজালা শৰাই
থাপনাৰ ভাগৱত
কণ্ঠৰ সুৰেৰে ভৰি
হিয়াৰ প্ৰদীপ জ্বালি
প্ৰাণ ধূপে আমোল মোলাই।

সুকোমল পৰাণৰ
মউ বাকি বাকি
জীৱন সুৰভি সানি
ৰচিলা যি প্ৰণতিৰ ধ্বনি
সেয়ে চিৰ আৰাধনা
তোমাৰ প্ৰাণৰ
জীৱনৰ প্ৰেম স্পৰ্শমণি।

মাধৱ বান্ধৱ !
তোমাৰ জীৱন মাথোঁ
এটি মধু গীত
মূৰ্ত্তিময় আৰাধনা মধু কল্পনাৰ
এটি অনন্ত সংগীত।

কুমাৰ তাপস তুমি
অম্লান জীৱন পুষ্প
উছৰ্গিলা সুন্দৰৰ মধুৰ ধ্যানত
"নামঘোষা" অমিয়াৰে
হৃদয় উপচি পৰে
নিজৰি নিজৰি সুৰ
প্ৰাণবন্ধু কৃষ্ণ চৰণত।

শঙ্কৰৰ সূৰ্য্য জ্যোতি
মাধৱ চন্দ্ৰত পৰি

স্নিগ্ধ কিৰণ বাকি প্ৰাণ শীতলাই,
পূৰ্ণিমাৰ জোন তুমি
অসমৰ আকাশৰ
শাৰদী জোনাক বাকি
আন্ধাৰক নিলা আঁতৰাই।
বৰগীত সুৰে সুৰে
মউ সৰি সৰি পৰে
হিয়াই হিয়াই জাগে সুৰ উন্মাদনা
জীৱনৰ প্ৰতি ছন্দ প্ৰিয়ৰ প্ৰেমেৰে ৰঙা
দিব্য অনুভূতিময় সঙ্গীত তোমাৰ
সুপ্তিময় পৰাণত জগাই চেতনা।

---

## গতিপথ

যুগ যুগান্তৰ—
এন্ধাৰৰ অচিন পথত
শতিকাৰ গোট খোৱা
কলিয়া ডাৱৰ ফালি
আগবাঢ়ে জীৱনৰ ৰথ
তিৰ্‌বিৰ্‌ সোণোৱালী পথ।

সুদূৰত জ্বলে মৰকত
পুৱালে দুখৰ ৰাতি
পূৰেৰুণ দিলে আকাশত।
আগবাঢ়ে বাটৰুৱা বিচাৰি পোহৰ
লাখুটিত ভৰ কৰি
খোজেপতি কঁপে থৰ্ থৰ্
আগবাঢ়ে বিচাৰি পোহৰ।
মানৱত্ব জীৱন গুঞ্জন
সাম্য মৈত্ৰী সত্যৰ সাধন
সেই দিনা বিকশিল
তাপসৰ পৱিত্ৰ প্ৰাণৰ
প্ৰাণে প্ৰাণে সুধা পৰশন।
সেই দিনা ভাৰতে শুনিলে
জীৱনৰ মধুৰ আহ্বান।
ধ্যান মগ্ন জীৱনৰ গান
আলোকিত উদয় তোৰণ।
আজি স্বপ্ন সিদ্ধ নবযুগ!
মুখৰিত আনন্দ বিতান।
হাঁয়! ভাৰতে পাহৰে কিয়
মানৱৰ পৰম সন্ধান।
সত্যৰ সাধনা এৰি
এন্ধাৰত বাট হেৰুৱাই

বসুন্ধৰা কঁপে ঘনে ঘনে
প্ৰলয়ৰ সূচনা জনাই।
অসত্যৰ উঠে হলাহল
পৰিম্লান জীৱন ৰচনা
পথহাৰা কামনা উল্লাস
কোনে বাৰু জগাব চেতনা ?

ভাৰতৰ মহান সাৰথি
আজি এই পৱিত্ৰ দিনত
ক্ষুধিতা ধৰাই কৰে
ব্যাকুল আহ্বান
আঁহা নামি অদৃশ্য ৰথত।
কোন দূৰ বিস্মৃতি যুগৰ
মানসৰ কল্পনা সৰগ
ৰূপায়িত কৰাহি আকৌ
"ৰামৰাজ" সপোন ভাৰত
আকৌ উলটি আঁহা
ধৰাৰ মানুহ ৰূপে
ভাৰতৰ পৱিত্ৰ বুকত
মানৱৰ ৰচা গতিপথ

১৯৫০ চনৰ ১৫ আগষ্টত প্ৰকাশিত
'নতুন অসমীয়া'

---

# গায়ক তানসেন

দিল্লীৰ ৰাজপথ
সোণালী ৰূপালী পাট পটম্বৰে
নানান জনতা সাজি পয়োভৰে
হয় হস্তী ঘোৰা আহে যায় কত
সুন্দৰ সজ্জিত ৰথ।
দুকাষে সজোৱা পণ্যৰ বজাৰ
মণি মুকুতাৰে সাজি জাতিষ্কাৰ
বিপণি ওপচা নানা তৰহৰ
মিষ্টান্ন সুখাদ্য ফল।
দিল্লী নগৰী চিৰ ৰাজধানী
সাউদ সদাগৰ ৰজা বণিকৰ
ভাগ্যবানৰ বাসে গৰবিণী
কৰ্ম্ম মুখৰিত জনতাৰ কোলাহল।

আহল বহল চাৰিটি আলিৰ জোৰা;
সোঁমাজতে ফটিক স্তম্ভত
জলিছে বন্তি নানা পোহৰত
জিলিকে ৰশ্মি কৰি চিক্‌মিক
বিবিধ বস্তুৰ পৰা।
পোহৰ স্তম্ভৰ এন্ধাৰ খিনিত
ৰুগ্না বুঢ়া এটি বহেহি মাটিত

টোকাৰী হাতত লৈ
আগত পাৰি দি ফটাকাণি এডুখৰি,
লৰাটিয়ে তাৰ ঢল পুৱাতেই
স্তম্ভৰ তলৰ নিজান ছাঁয়াত
বহুৱাই থৈ যায়
লাখুটি মূৰত ধৰি।

টোকাৰী বজাই ইনাই বিনাই
দুখৰ করুণ কাহিনী শুনাই
দয়ালু দাঁতাই দলিয়াই দিয়া
যি দুটি পইচা পায়
দুখীয়া দুটিয়ে তাৰে পেট প্ৰৱৰ্ত্তায়।

গধূলি হলেই লৰাটিয়ে আহি
বুঢ়াক আকৌ লাখুটিত ধৰি
বাট দেখুৱাই পঁজালৈ লৈ যায়।

সাঁজ গঢ়ি গল, লৰাটিয়ে আহি
বুঢ়াক লগালে মাত
উঠ অ' পিতাই বহু নিশা হল
ভোক যে লাগিছে মোৰ
ঘৰলৈ বল, ধৰছোন মোৰ হাত।

বুঢ়াই ফেকুৰি কলে—
দিনৰ দিনটো কতনা কান্দিলো

কতনো মাগিলো হিয়া ঢাকুৰিলো
কত জন গল এই বাটেৰেই
নেপেলালে এটি পাই,
দীঘলীয়া দিন সাঁজ গঢ়ি যায়
অনাহাৰে ৰলি একোটি নেখাই
সোণ মোৰ হেৰ কি খাই জীৱ
আজিযে একোটি নাই।
ভোকাতুৰ দুখী লৰাটিয়ে হাঁয়
বুঢ়াৰ বুকুত মুখ লুকুৱাই
উচুপি উচুপি কান্দিছে ভোকত
দুটি দুখীয়াৰ চকুলোৰ বই যায়।
ৰাজ দৰবাৰৰ শ্ৰেষ্ঠ গায়ক
মিঞা তানসেন
সেই বাটেদিয়ে যায়।
বাটৰ মাজত দুখীয়া দুটিৰ
করুণ কান্দোন শুনি
পিচলৈ উলটি চায়।
খন্তেক থমকি ৰ'ল!
উপবাসী দুটি দুখীয়াৰ দুখে
চকুত নামিলে ঢল।
আগবাঢ়ি কলে
সাদৰি বুঢ়ালৈ চাই—

তোমাৰ টোকাৰী দিয়াচোন মোক
খন্তেক বজাওঁ ভাই।
বুঢ়াৰ কাষতে বহি
বাদশা জাদাৰ শ্ৰেষ্ঠ গায়ক
মিঞা তানসেনে গায়।
"খোদা দেনে ওৱালা
দাতা দেনে ওৱালা
অন্ধাকো দেনে ওৱালা
ভূখাকো দেনে ওৱালা
খোদা দেনে ওৱালা"
টোকাৰী গীতৰ সুৰ কঁপনিয়ে
মধুৰ গীতৰ সুৰৰ ধ্বনিয়ে
আকাশ পেলালে ছানি
গীতৰ সুৰত বুঢ়াৰ কাষলৈ
সুৰ বিয়ামোহ জনতা ধৰিলে লানি।
কত ৰথ কত অশ্ব আৰোহী
পথিক থমকি শুনে
বুঢ়াৰ আগৰ ফটা কানি খনি
উপচিল ধনে সোণে।
জনতা দুভাগ হ'ল—
হস্তী বাহনে সম্ৰাট আ"
থমকি আগতে ৰ'ল।

মিঞা তানসেনে
উঠি কুৰ্ণিশ কৰি
হাত জোৰ কৰি ৰ'ল।

বাদশা জাদাই কয়—
ৰাজ-দৰবাৰৰ শ্ৰেষ্ঠ গায়কৰ
এয়েনে গীতৰ ঠাই ?

ৰাজ-দৰবাৰৰ উচ্চ সঙ্গীতৰ
সম্মান হল হানি
বিচাৰ সভাত মিঞা তানসেনে
দিব লাগে ফৰমানি।

কুৰ্ণিশ কৰি মিঞা তানসেনে কয়—
খোদা বান্দাৰ শ্ৰেষ্ঠ গায়কে
বিচাৰ সভাৰ নকৰে অলপো ভয়।

শাহান্ সাহৰ ৰাজ-দৰবাৰৰ
শ্ৰেষ্ঠ সঙ্গীতৰ মান
মিঞা তানসেনে জীৱন বিলাই
ৰাখি যাব সম্মান।

দিল্লী পতিৰ বিশাল ৰাজ্যত
ভুটি উপবাসী মৰিছে ভোকত
দেখি সকাতৰ হলো

দুটি দুৰ্ভগীয়া ভিখাৰীৰ হকে
দাতাৰ কৰুণা মাগি
টোকাৰী হাতত ললো।

হস্তীৰ পৰা বাদশা আহিলে নামি
শ্ৰেষ্ঠ গায়কক চেনেহে সাৱটি কলে—
নোহোৱা অকল সুৰৰ সাধক
গীতৰ দেৱতা গুণি
বাদশা জাদাৰ বিশাল ৰাজ্যৰ
হে মহাপ্ৰাণ! নৰৰ দেৱতা তুমি।

---

## "সৰগ ক'তনো আছে"

সৰগ ক'তনো আছে?
পৃথিবীত কতো বিচাৰি নোপোৱা
চালে চকু ৰোৱা বুকু জুৰ হোৱা
পৰ্ব্বতে ভৈয়ামে জুৰি বৰ নৈয়ে
পৃথিবী মাজত মোৰ অসমতে
সৰগ লুকাই আছে।
পৃথিবী মাজত মনোৰম এই ঠাই

য'ত আজিলৈকে হিংসা বিহৰ
খিয়লা খিয়লি নাই,
শান্তি সুখৰ নৈ বৈ যায়
সৰলতা ভৰা হিয়াই হিয়াই
মৰমী হিয়াৰ কোমল পৰশ
হিয়াই বিচাৰি পায়;
পৃথিবীত কতো বিচাৰি নোপোৱা ঠাই।

মোৰ অসমৰ কোমল মাটিত
জীৱনৰ পাহি মেলে
পৰ্ব্বত টিঙত পুৱাৰ অৰুণে
সোণোৱালী ফাকু খেলে
সৰল চিতিয়া চিৰ সন্তোষিয়া
প্ৰাণে প্ৰাণে সুৰ গীতৰ অমিয়া
শঙ্কৰে দিয়া ভাগৱতী জ্ঞান
হিয়াত জিলিকি আছে

পৰ্ব্বতে ভৈয়ামে একেটি সুৰৰ
একেটা সঙ্গীত কল্প কাননৰ
কোমল মনৰ মৰমী প্ৰাণৰ
অমিয়া নিজৰি পৰে
কল্পনা সপোনে জীৱন সুৱদি যাচে
পৃথিবী মাজত এইখনি দেশতে
সৰগ লুকাই আছে।

## "সত্যাগ্ৰহী জয়মতী"

লৰাৰজা— জয়মতী, গদাধৰ ক'ত আছে
কৈ দে বাতৰি
ক'ত পলুৱাই থলি দে সমিধান
নিদিলে, উচিত ভাবে
হব তোৰ শাস্তিৰ বিধান।

জয়মতী— নকওঁ স্বামীৰ কথা
নামাতো মুখেৰে
স্বৰ্গদেও।
মৃত্যুৰ কাৰণে ভয় নকৰে জয়াই।
অসম জীয়ৰী মই,
এতিয়াও বৈ আছে অসম বীৰৰ তেজ
শিৰে শিৰে জয়াৰ দেহত।
শাস্তি ভয় দেখুৱাই
নোৱাৰে জয়াক পৰাজিব।
দেশৰ স্বাৰ্থতকৈ জয়াৰ জীৱন
তুচ্ছ অতি জয়াৰ মনত।

লৰাৰজা— দেশ দেশ নকৰিবি ৰজাৰ চ'ৰাত
গৰ্ব্বিতা মুখৰা তিৰোতাক
দেশৰ বাতৰি সোধা নাই

অসমৰ স্বৰ্গদেৱে
ক মাথো পলৰীয়া গদাৰ বাতৰি।

জয়মতী— স্বৰ্গদেও, দেশ মোৰ প্ৰাণতো অধিক
অসমৰ কুঁৱৰীয়ে
দেশৰ বাতৰি নজনা নহয়।
ষড়যন্ত্ৰে বীৰহীনা কৰি অসমক
ভাবিছে পাতিব তাত পিশাচৰ ৰাজ?
নোৱাৰে পাতিব
নহয় সঙ্কল্প সিদ্ধি "লালুক সোলাৰ"
হীন কামনাৰ।
বীৰ স্বামী গদাধৰ মোৰ—
যতে হওক থাকক কুশলে
সবল বাহুৰ বিক্ৰমেৰে
উদ্ধাৰিব অসম মাতৃক
পৈশাচিক কল্পনাৰ—
বালিঘৰ হব ঠান বান।
উদাৰ হৃদয় বীৰ ন্যায়নিষ্ঠ
সিংহ গদাধৰ
অসমৰ ত্ৰাণ কৰ্ত্তাৰূপে
হব আৱিৰ্ভাৱ নিজে সময় কালত
সেই হেতু স্বামীৰ জীৱন মোৰ
অমূল্য মাণিক

অসমৰ আকাশৰ উজ্জ্বল তপন
অসমৰ উৎপীড়িত জনতাৰ কামনাৰ ধন।
এই সূৰ্য্য অস্ত গলে—
অসমক আন্ধাৰে ঢাকিব
শিয়ালে কাঢ়িব ৰাও মাজ মজিয়াত
প্ৰেত লীলা ভূমি হব অসম শ্মশান।
অসম জীয়ৰী মই
অসমৰ কল্যাণ ধিয়াই জীৱন তেজিম
অসম বীৰৰ প্ৰাণ জীয়াই ৰাখিম
নিদিওঁ নিদিওঁ মই স্বামীৰ সন্ধান।

লৰাৰজা— বৰ কথা নেমাতিবি
ৰাজ চ'ৰা এই খন
নহয় ই তিৰোতাৰ মেল
নিদিয় বাতৰি যদি গদা কোঁৱৰৰ
ধৰি আনি পুত্ৰ তোৰ লাই, লেচাই,
তোৰ সমুখতে দিম বলি
কাউৰী শগুনে খাব কোমল মঙহ
তোৰ সমুখতে খুলি খুলি
উদ্ধতা অহঙ্কাৰী নাৰী!
চাম এইবাৰ
দিয়নে নিদিয় তই গদাৰ বাতৰি।

জয়মতী— স্বৰ্গদেও।

অনাথিত পোনা দুটি লাই লেচাই
যদিও কোমল শিশু
তথাপিও সেই দুটি সিংহৰ পোৱালী,
মৰণৰ ভয় কাক বোলে
শিকা নাই সিহঁতে সমূলি।

বলি হলে মাতৃৰ পূজাত
ধন্য হব শিশুৰ জীৱন
দেশৰ কল্যাণ হকে
বীৰৰ শোণিতে
মাতৃভূমি বলিশাল সদায় ৰাঙলী
দেশৰ কাৰণে, তুচ্ছ দুটি শিশুপ্ৰাণ
হলে উৎসৰ্গিত
পিতৃ মাতৃ হব গৰবিত।

সিংহৰ সন্তানে—
পিতৃৰ জীৱন ৰাখি
হাঁহি হাঁহি বৰি লব
উৎপীড়ন অকাল মৰণ।

লৰাৰজা— চাওদাং
এই গৰ্ব্বিতা নাৰীক
লৈ যা ইয়াৰ পৰা বধ্য ভূমিলৈ

জেৰেঙাৰ পথাৰত—
চাৰি তৰপীয়া গড় মাৰি
চমতা, চোৰাট, বাঁহচেপা সোকাৰে
গাৰ ছাল কৰি চিৰাচিৰ্
দিবি লোণ ছটিয়াই
বৰ কথা মতা জিভা
টানি আনি ৰেপিবি কৰতে
চাওঁ এইবাৰ দিয়েনে নিদিয়ে তাই
গদাৰ বাতৰি—
মাতে নে নেমাতে।

জয়মতী— সাক্ষী হব চন্দ্ৰ সূৰ্য্য
দেৱতা সকল
সাক্ষী হবা জন্মভূমি মৰমী অসম
শক্তি দিয়া জয়াৰ মনত
অন্যায় দুৰ্নীতি উৎপীড়ন
পাপে ভৰা অন্যায় শাসন
ধুই মুছি লৈ যাওঁ বুকুৰ তেজেৰে
অসমত অন্ত হওক প্ৰেতলীলা
বলিদান লৈ এই জয়াৰ জীৱন

বিপদ ভঞ্জন, অসম মাতৃৰ ধন
স্বামী মোৰ অমূল্য ৰতন
য'তে হওক ৰাখিবা জীয়াই
মৰমী অসমী আই! বিদায় বিদায়॥

ধুবুৰী, ১৯৪৭ চন।

---

## জাগৃতি

জাগৃতি! যুগ যাত্ৰী দল!
পুৱালে তিমিৰ ৰাতি—
উদিল সৱিতা
কৰা আৱাহন
কৰা নতুন বন্দন।

শুনা······
জলধিৰ তীৰে তীৰে
জীৱনৰ চঞ্চল গুঞ্জন
জ্বলিল প্ৰদীপ শিখা
উঠে প্ৰাণে প্ৰাণে
নতুন স্পন্দন।

নীলিমাত জাগে ধ্ৰুবতৰা—
সত্য শুভ্ৰ জ্যোতি শিখা
সেয়ে হ'ব জীৱন দীপিকা
আলোকিত কৰা নৱ প্ৰাণ
জগোৱা চেতনা
ধ্যানমগ্ন হিমাদ্ৰিৰ
শিলা বুকু ভেদি
প্ৰাণময় চেতনাৰ
কৰা সঞ্চাৰণ।

আনা উন্মাদনা—
কৰা নতুন সাধনা
ধৰণীৰ মৰুতীৰ্থ
শতাব্দীৰ কৰুণ সপোন
শেষ হক মাটিৰ কান্দোন।

জাগৃতি! নতুন যুগৰ
জাগৃতি! নতুন প্ৰাণৰ
আঁতৰক অৱসাদ
জাতিৰ প্ৰাণৰ।

মাটিত নমোৱা স্বৰ্গ
ফুলোৱা ধৰাত
আদৰ্শৰ দেৱ পাৰিজাত।

গঢ়ি তোলা
সোণৰ মন্দিৰ
তোমাৰ জনম ভূমি
মৰমৰ ওপজা দেশত।

জাতীয় কবিতা, ১৯৫৯ চন।

---

## মহামানৱ

হে অক্লান্ত সত্যাগ্ৰহী
জীৱনৰ দীৰ্ঘ পথ বহি
আনিছিলা সাধনাৰ
অমৃত আহৰি
সত্যময় সাম্য মৈত্ৰী
প্ৰেমৰ বাতৰি
দিলা দান পৃথিবীক
অপূৰ্ব্ব বিজ্ঞান
মুক্তিৰ আলোক বাণী
গোপন সন্ধান।

হে মহান !
শুনালা প্ৰথমে জগতক
মানৱৰ অপ্ৰকাশ
মূক ৰুদ্ধ পৰাণৰ কথা
কোটি কোটি নিপীড়িত
দলিত অস্পৃশ্য ঘৃণ্য
দৰিদ্ৰ জীৱনে—
পালে নৱ জীৱনৰ
মানৱতা জ্ঞান
পালে মুক্ত জগতৰ
মুকুতিৰ অপূৰ্ব্ব বাৰতা।
হে প্ৰবুদ্ধ !
মানৱৰ জীৱনৰ
মহামূল্য কৰিলা প্ৰকাশ,
অহিংসা পথেৰে দিলা
মুকুতিৰ মহান আশ্বাস;
সুপ্ত ভাৰতক—
অভিনৱ মুকুতি মন্ত্ৰেৰে
শিকালা নতুন জ্ঞান
নৱ যুগ নীতি !
সেই দিনা—
মৰণক অৱহেলি

ভাৰতে কৰিলে পৰাজিত
দানবীয় অস্ত্ৰৰ শকতি
সুপ্ত আত্মা উঠিল বিকশি
ভাৰতে কৰিলে পণ জীৱন মৰণ
গ্লানিময় দাসত্ব বন্ধন
কৰিলে ছেদন
শতাব্দীৰ বেদনাৰ শোক অশ্রু মছি।

শুভ শঙ্খধ্বনি—
প্ৰাণে প্ৰাণে বাজিল আপুনি
অতীতৰ গৰিমাৰ
মাৰ যোৱা বিৰাট চেতন!

তোমাৰ বাণীত উজলিল
তপোবনে তপোবনে
মাটিত লুকাই থকা
চেতনাৰ গোপন স্পন্দন
সেই দিনা জাতিক পুনৰ
কৰিলা সজীৱ
গ্লানি প্ৰেম কৰুণাৰ
অমৃত চন্দন।

মুক্তিৰ পূজাৰী!
ভাৰতৰ দেৱতা প্ৰাণৰ

কোটি কোটি হৃদয়ৰ
মণি সিংহাসন
যুগে যুগে সজাই নীৰৱে
তোমালৈ মণি সিংহাসন।

---

## মানৱ

হে মানৱ বিচাৰিছা তুমি ক'ত সৌন্দৰ্য্যৰ খনি
চিৰন্তন ঈশ্বৰ স্বৰূপ
হিয়াই হিয়াই চৌঁৱা জ্বলে কাৰ মহিমা মহান
চেতনাৰ দিব্য অপৰূপ।

বিধাতাৰ অপূৰ্ব্ব সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ জগতৰ
সুগৌৰৱ মানুহ প্ৰধান
মানুহৰ সুষমাই বিশ্ব সৌন্দৰ্য্যত
নিতে কৰে নৱ ৰূপ দান।

অনন্ত শক্তিৰ লীলা চিৰ প্ৰকাশিত
নানা ৰূপে মানুহ প্ৰাণত
সাধনাই প্ৰভা পৰকাশে বিচিত্ৰ ধৰাত নিতে
মানৱৰ নিবিড় ধ্যানত।

মানুহৰ সুকুমাৰ প্ৰাণ পৰশত
কলা কৃষ্টিৰ জনম
মানুহৰ সুকোমল হিয়াৰ মাজত
প্ৰেম প্ৰীতি ধৰম কৰম।

মানুহৰ চিন্ময় স্বৰূপ অসীম সুন্দৰ
কোনে কৰে অশুচি আত্মাক
মানুহৰ হীন বিধানত মানুহে গঢ়িছে
ভেদাভেদ উচ্চ-নীচ স্থান।

হে মানৱ চিৰকালে অমৃতৰ তুমি অধিকাৰী
মানৱক নকৰিবা হীন অবিচাৰ
হে শাশ্বত, হে সুন্দৰ, সৌন্দৰ্য্য প্ৰতীক
প্ৰভা তুমি বিশ্ব আতমাৰ।

## যুগবাণী

[ ধৰিত্ৰী আৰু নাৰায়ণ ]

ধৰিত্ৰী— চৰণে প্ৰণামো দেৱ!
সুদৰ্শন-ধাৰী
যুগে যুগে সৃষ্টি ৰক্ষাকাৰী
শুনা দেৱ মোৰ নিৱেদন।

ক্লান্ত শ্ৰান্ত দেহ লৈ
আহিছো বিচাৰি প্ৰভু !
চৰণ আশ্ৰয়।

নোৱাৰো সহিব আৰু
মহাপাপ ভাৰ
দানবীয় অত্যাচাৰে জৰ্জ্জৰিত দেহ
প্ৰাণে মোৰ নেমানে সান্ত্বনা।
অত্যাচাৰ অনাচাৰ
মিথ্যাচাৰ কতনো সহিম ?
প্ৰতিটি ধূলিৰ কণা পাপ কলঙ্কিত
ন্যায়-হীন নীতি-হীন
অসংযমী লুব্ধ প্ৰবঞ্চক
দানবীয় মহাভাৰ নোৱাৰো সহিব
নকৰিলে বিহিত ইয়াৰ।

হিয়া মোৰ সঘনে কঁপিছে
ক্ষুব্ধা প্ৰকৃতিয়ে কৰিছে সততে
নানা বিপ্লবৰ সৃষ্টি
ৰুধিছে নিশ্বাস মোৰ প্ৰতি পলকত।
শৃঙ্খলিতা ভাৰতৰ মুক্তিকামী সন্তানৰ
শোণিতৰ ধাৰে
ৰঞ্জিত হৃদয় মোৰ।

বলিশাল ৰঙা হ'ল
মৰণৰ আহুতিত
শত শত বীৰ জীৱনৰ
আৰু কত সহিম লাঞ্ছনা।

দেৱ, নকৰা যদিহে এই
যুগ প্ৰতিকাৰ
বুৰ যাওঁ প্ৰলয়ৰ
মহা জলধিত
কৰা ধৰিত্ৰীৰ এয়ে
নিয়তি নিৰ্ম্মাণ।

নাৰায়ণ— ক্ষান্ত হোঁৱা দেৱী!
যুগৰ অধৰ্ম্ম এয়ে
এইদৰে যুগৰ অন্তত
বিপ্লৱৰ কলুষ গ্লানিৰে
ম্লান হয় পৃথিবীৰ
ধৰ্ম্মৰ প্ৰভাৱ
বাৰে বাৰে সংস্কাৰক ৰূপে
সংহাৰৰ কাল চক্ৰ
"সুদৰ্শন" ধৰি
সংহাৰো ভূমিৰ ভাৰ
দানবীয় তেজ বৃদ্ধি

নহলে নহয় সৃষ্টি
মহা সমৰৰ।
আসুৰীয় শকতি বঢ়াই
নিক্ষেপো সংহাৰ অস্ত্ৰ
ধ্বংস ৰূপী কাল চক্ৰ,
নিজৰ শকতি শেল
আঘাতি বুকত
লুপ্ত হয় তমো গুণ
দানৱ শকতি।
যুগে যুগে ভাৰতৰ
পবিত্ৰ তীৰ্থত
মানুহ জনম লওঁ ধৰাৰ বুকত
যুগে যুগে সংস্কাৰক ৰূপে
লক্ষ্য থৈ মহাভাৰতত
নৱ যুগ কৰো সংস্থাপন।
চিন্তাহীন নহওঁ বসুধা;
ত্ৰিলোক কল্যাণ অৰ্থে
মোৰ শক্তি জনমিছে
ভাৰতৰ মধ্যম খণ্ডত।
তপস্যা আশ্ৰয় কৰি
ত্যাগ কৰি ভোগ অভিলাষ
"গীতা বাণী" কৰিছে প্ৰচাৰ

মহা সত্য কাম ৰূপে
ত্যাগ ধৰ্ম্ম কৰিছে সাধন।
"উত্তিষ্ঠ জাগ্রত"
কৰ্ম্ম যোগ গীতা মন্ত্র
জপিছে নীৰৱে।

পাশবিক পৰিবেশে
জৰ্জ্জৰিত বুকু ভাৰতৰ
নিপীড়িত উদয় তোৰণ
শোষণে পীড়নে অবিচাৰে
পৃথিবীৰ বিষাক্ত সমীৰ
শৃঙ্খলিতা ভাৰতৰ কৰুণ ক্রন্দনে
ত্রিদিবক কৰিছে কাতৰ।

দাসত্বৰ মহাপাপে পঙ্কিল ভাৰত
ক্ষীণ পুণ্যা বসুমতী
তপস্যাৰে নহলে শোধন
ধ্রুগ ধৰ্ম্ম নহয় স্থাপন।

ভাৰতৰ জন গণে সত্যব্রত ধৰি
কৰিব লাগিব পৰাচিত,
যুগ গুৰু মহা মন্ত্র জপি
কৰিব লাগিব শিক্ষা
নৱ যুগ নীতি

ত্যাগ কৰি সম্ভোগৰ উন্মত্ত বাসনা
শুচি কৰি হৃদয়ৰ হিংসা কলুষতা
তিলে তিলে তুখ বৰি জলাব লাগিব
হৃদয়ৰ তীব্র হোমানল
প্রীতিৰ আৰতি জ্বালি অহিংসা প্রাণৰ
সাম্য মৈত্রী করুণা মন্ত্রৰে
শুচি হলে তনু মন
দূৰ হব পাপ অমঙ্গল।
কলুষিত ভাৰতত—
যুগ ধৰ্ম্ম নহয় স্থাপন।
সৃষ্টিৰ আদিতে দেৱী
ত্যাগ মৃণালত সংস্থাপিত
বসুধাৰ সুগৌৰৱ ভাৰত কমল;
ভাৰতৰ পূত আত্মা
মূল মন্ত্র সত্য সাধনাৰ।
ভাৰত সন্তান ত্যাগ মন্ত্রে
নহলে দীক্ষিত
মুক্তি নাই ভাৰতৰ
শান্তি নাই বিশ্ব ধৰিত্রীৰ।
সতৃষ্ণ নয়নে আজি
অপেক্ষিছে বিশাল ধৰাই
ভাৰতীৰ যুগ দীক্ষা লৈ

দিব্য তেজা জ্যোতিষ্মান
ভাৰতৰ সত্যান্বেষী পূৰ্ণ শকতিয়ে
সঞ্চাৰিছে শক্তি ৰাশি
মহা তপস্যাৰ।

ভাৰতৰ ধমনীত
মুক্তিৰ অমোঘ মন্ত্ৰ
বাজে দীপ্ত ৰাগ।

স্বাৱলম্বী। স্বাধীন ভাৰত
ভাৰতৰ যুগ ধৰ্ম্ম
ভাৰতীয়ে কৰিব স্থাপিত।

নেথাকিব ভাৰতত
পাপ নীতি শোষণৰ
নিপীড়ন অসমতা কুটিল বিভেদ
ভাৰতৰ নৰ নাৰী
খণ্ডতপা অতীত যুগৰ।

আহিব লাগিছে ধীৰে সৰসী সমীৰ
উষাৰ অৰুণ দীপ্তি মুক্তি প্ৰভাতৰ
অভিশপ্তা ভাৰতী
আহিছে মুক্তিৰ দিন
আঁতৰিছে মোহ নিদ্ৰা অলস নেত্ৰৰ।
প্ৰাণে প্ৰাণে বাজিছে মুক্তিৰ

মহা শঙ্খধ্বনি—
ভাৰতৰ হৃদয়ৰ নিৰুদ্ধ দুৰ্গত।
শত বৰষৰ মদিৰা মুগুধ
দাসত্ব গ্লানিৰে ভৰা
পুঞ্জীভূত পাপ নিদ্ৰা
আঁতৰিল, জাগ্ৰত ভাৰত।
ভয় নাই বসুন্ধৰা
সিদ্ধ সত্য কাম!
আজি মুক্তি মন্ত্ৰ প্ৰকাশিত হৈ
বসুন্ধৰা কৰিছে কম্পিত
গাণ্ডবীয়ে পূৰ্ণ তুনে ধৰিছে গাণ্ডীব।
ভাৰতৰ কোটি কোটি
তৰুণৰ তৰুণীৰ হৃদয় শোণিতে
সজাব লাগিব অৰ্ঘ্য
মাতৃকা পূজাৰ।
পাহৰিব ভেদ ভাব
জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে
জননীৰ মুকুতি যজ্ঞৰ
হব শেষ মিলন আহুতি।
ভাৰতৰ স্বাধীনতা কৰিব ঘোষণা
কৰিব মৰণ পণ
পৰাধান জীৱনৰ নাগপাশ কৰিব ছেদন।

মৃত্যুঞ্জয়ী তৰুণৰ হৃদয় শোণিতে
বোলাব যিদিনা দেৱী হৃদয় তোমাৰ
সিদিনা জাগিব
মুক্তি উষা ভাৰতৰ
হব শান্তি জগতত
যুগ ধৰ্ম্ম হব সংস্থাপন।
সাম্য মৈত্ৰী কৰুণাৰ
অহিংস বেদীত
বহল উদাৰ হব মন
ধৰ্ম্ম প্ৰাণ ভাৰতৰ পুৰুষ ৰমণী।
আঁতৰিব হিংসা দ্বেষ অসূয়া কপট
হব জন গণ
সত্যাগ্ৰহী সুসংযত দৃঢ়চেতী ভীমকৰ্ম্মী
ন্যায়ৰ পথত।
অন্যায়ৰ শাসনত
নিৰক্ষৰ অজ্ঞানী ভাৰত
দৰিদ্ৰতা মহাপাপে নিস্তেজ নিৰ্জ্জীব
নাই তাৰ প্ৰতিকাৰ
জ্ঞানৰ পোহৰে দেৱী
নতুন ভাৰত হব সুন্দৰ উজ্জ্বল
নৱ ভাৰতত নৱ আদৰ্শৰ
বিশাল জ্ঞানৰ ক্ষেত্ৰ হব সংস্থাপিত।

জগতে শিকিব
ভাৰতৰ আদৰ্শৰ নতুন বিধান
ভাৰতৰ শান্তিপথ বিবেক নীতিৰ,
শান্তিময় ভাৰতেই
বিশ্ব শান্তি সংস্থাপিব বিশাল ধৰাত
সিদিনাই ৰক্তলোভী দানবী নীতিৰ
হব চিৰ পৰাজয়।
বিলাসৰ কৃত্রিমতা লুপ্ত হব জাতিৰ দেহৰ
আঁতৰিব সঙ্কুচিত
জীৱনৰ কৃত্রিম বিভেদ।
প্ৰবুদ্ধৰ “পঞ্চশীল” নীতি প্ৰচলনে
দেখুৱাব জগতত মানৱৰ মহাজ্যোতি পথ।
সত্যময় পুণ্য স্থান—
মহান ভাৰতবৰ্ষ মহান গৌৰৱে
বিশ্ব শান্তি পতাকা উৰাব
বিশ্ব শান্তি দূত ৰূপে
চিৰ দিব্য আদৰ্শৰ
পুণ্য ধ্রুব তৰা হৈ
জগতত জেউতি বিলাব।

১৯৪৫ চন
কলিকতা

# পোন্ধৰ আগষ্ট

স্বাধীন ভাৰতবৰ্ষ
ভাৰতৰ স্মৰণীয়
পোন্ধৰ আগষ্ট আজি
স্বাধীন ভাৰতবাসী
দিয়া জয়মালা উৰুৱা পতাকা,
বন্দনা কৰা
বিজয়িনী ভাৰত মাতাক।

শতেক শতাব্দী ধৰি
ৰাঙলী বাটেৰে আগবাঢ়ি
দেখিছিলা ভবিষ্যৰ স্বাধীন সপোন
সিদিনা আছিল—
ভাৰতৰ স্বাধীনতা আকাশ কুসুম।

সোণোৱালী দিন অতীতৰ
তিলে তিলে হৰি নিলে
শৌৰ্য্য বীৰ্য্য জাতিৰ দেহৰ
পাহৰিলে অতীতৰ গৌৰব পৌৰুষ।

পৰাধীনতাই—
সানি দিলে কলঙ্কৰ
কালিমা কলুষ।

সাগৰৰ সিপাৰৰ কাচৰ সলনি
ভাৰতৰ মণিমুক্তা হ'ল বিনিময়
ধ্যান গ'ল মান গ'ল
ভাৰতৰ মহিমাৰ গৰিমাৰ
হল হাঁয় চিৰ পৰাজয়।

সেই দিনা সাগৰে কান্দিলে
বিক্ষোভৰ তুলিলে গৰ্জ্জন
কাল নাগিনীয়ে শত ফণা তুলি
হ'ল আউলী বাউলী
জলধিৰ তীৰে তীৰে
মহা আস্ফালন কৰি
ভাৰতৰ জগালে চেতনা।

উঠা! জাগা!
পৃথিবীৰ অমৃত জীয়ৰী
সঞ্জীৱনী পিওৱা ধৰাক
তোমাৰ মৰণ হলে পৃথিবী মৰিব
প্ৰাণ দিয়া সুপ্ত বসুধাক।

জলধিৰ গৰ্জ্জনত
তীৰে তীৰে উঠিল কঁপনি
আগ্নেয়ত আহিল উত্তাপ
ধূৰ্জ্জটীৰ জটাজাল

উজলিল গৌৰীশৃঙ্গত
বৈ গ'ল সুৰধনি
চেতনাৰ বিদ্যুত স্পৰ্শত।

উঠিল স্পন্দন
ভাৰতৰ মহাসাগৰত

শিৰে শিৰে বৈ গল তপত শোণিত
ভাঙিলে দুৰ্ভেদ্য লৌহ কাৰাৰ প্ৰাচীৰ
মুমূৰ্ষু ভাৰতৰ
স্পন্দনত বসুধা কঁপিল
প্ৰাণহীন ভাৰত জাগিল।

শতেক শতাব্দী ধৰি
পলে পলে দিন লেখি লেখি
আকুল হিয়াৰে বাট চোৱা
কোটি কোটি জীৱনৰ
আহুতিৰ তেজেৰে বোলোৱা
আজি এই ভাৰতৰ
মুকুতিৰ বাঞ্ছিত দিবস
ভাৰতৰ স্বাধীনতা পোৱা
মহা মানৱৰ মহা জীৱনৰ
মূল্যৰে মিলোৱা,
স্মৰণীয় পোন্ধৰ আগষ্ট

নতশিৰে গৰবিত হৈ
ত্ৰিৰঙা মুক্তি পতাকাক
বন্দনা জনোৱা।

যুগ ভৰা কলঙ্কৰ
ভাৰ বোৱা মহা অকল্যাণ
এন্ধাৰ জীৱন জোৰা
পঙ্কিলতাহীন অসম্মান
মুছিব লাগিব আমি
গ্লানিময় অপৰাধ আমাৰ দেশৰ
নুমাব লাগিব আমি
অশান্তিৰ মহাদাবানল।

বুলাব লাগিব আমি
অমৃতৰ প্ৰেমৰ পৰশ
গঢ়িব লাগিব আমি
নৱ আদৰ্শৰ নতুন ভাৰত।

ন্যায় নীতি শান্তি প্ৰীতি সহানুভূতিৰে
সৰগ জেউতি সানি
ভাৰতৰ মহত্তৰ ৰূপ জ্যোতি দানি
পাতিম অলকা পুৰী
মানৱত্ব বিকাশৰ ভূস্বৰ্গ
পাতিম ধৰাত

অপৰূপ ৰূপ সাধনাৰে
ই যে মোৰ দেশ
মোৰ সোণৰ জনম ভূমি
ধ্যান স্বৰ্গ মহা মানৱৰ
শান্তি ধাম মাটিৰ বুকৰ
জাতিৰ কল্পনা স্বৰ্গ
ভাৰতৰ জনতাৰ পৰম নিৰ্ভয়
গঢ়িম আমিয়ে মিলি
ভাৰতৰ স্বাধীনতা কৰিম সাৰ্থক।

১৯৫০ চনৰ ১৫ আগষ্ট
উপলক্ষে ৰচিত
( প্ৰকাশিত নতুন অসমীয়া )

---

## জয়যাত্ৰা

বজোৱা শঙ্খ বজোৱা বিজয় ভেৰী
আজি ভাৰতৰ মুক্তি ব্ৰতৰ
নৱ প্ৰভাতৰ উদয় পথত
নবাৰুণে ৰঙা নৱ সবিতাক

আনা আৱাহন কৰি
বজোৱা শঙ্খ বজোৱা বিজয় ভেৰী।

আজি ভাৰতৰ মুক্তি ব্ৰতৰ
চিৰ বাঞ্ছিত দিন
পলে পলে পলে ধিয়াই ধিয়াই
জীৱন শোণিতে বোলাই বোলাই
মুক্তি দিনৰ কত প্ৰতিক্ষাত
কত প্ৰাণ হ'ল লীন
আজি ভাৰতৰ চিৰ বাঞ্ছিত দিন।

এন্ধাৰ বাটত যুগ যুগান্তৰ
বাটৰুৱা কত ক্লান্ত পথৰ
নীৰৱে জ্বলাই জীৱন শলিতা
বাট পোহৰাই গ'ল।

সেই পোহৰৰ আলোক শিখাত
মুক্তি পথৰ ৰক্ত লেখাত
কত অখ্যাত জীৱন আহুতি
অখ্যাত হৈয়ে ৰল।

কত জীৱনৰ ত্যাগ হোমানলে
বাট পোহৰাই গ'ল।

কত কিশোৰৰ আশাৰ সপোন

কত যৌৱনৰ সোনালী সপোন
কত প্ৰৌঢ়ৰ জীৱন প্ৰতিষ্ঠা
পুৰি ছাই হৈ গ'ল।

মাতৃ পূজাৰ নীৰব সাধনে
মুক্তি ব্ৰতৰ জীৱন বৰণে
জাগিল ভাৰত কোটি প্ৰাণ দানে
বন্ধন মুকলি হ'ল
ভাৰত বাসীৰ আন্ধাৰ যুগৰ
নতুন প্ৰভাত হ'ল।

সিদিনা আছিল ভাৰত বাসীৰ
মুক্তি লক্ষ্য ধ্যান
ভয় লাজ মান দিলে বলিদান
জীৱনে বিলালে জীৱনৰ মান
প্ৰাণত বাজিল একতা শঙ্খ
মুক্তিৰ জয় গান
সিদিনা আছিল ভাৰত বাসীৰ
মুক্তি লক্ষ্য ধ্যান।

সেই ধিয়ানৰ মহান শক্তি
ত্ৰিদিব কঁপাই আনিলে মুক্তি
মহা প্ৰবুদ্ধে নতুন মন্ত্ৰে
জগালে জাতিৰ প্ৰাণ

শোষক দলৰ ৰক্ত ভ্ৰুকুটি
পৰাজিত কৰি পাশব শকতি
বিশ্ব সভাত ভাৰতীয়ে পালে
চিৰ গৌৰৱ স্থান।

শতেক যুগৰ পৰাধীন পাপে
যদিও আৱৰা প্ৰাণ
যদিও আমাৰ মলিন স্বাৰ্থে
মানৱতা ম্ৰিয়মান।
অশুচিতাৰ পাপ পৰিণামে
হৃদয় নোপচে মুক্তিৰ গানে
চকুৱে নেদেখে জয়ৰ জেউতি
ভীৰু দুৰ্ব্বল প্ৰাণ।

ৰাঙলী খোজৰ চিন চাই চাই
তেজ আলতাৰে দুভৰি বোলাই
কলুষ হিয়াৰে জড় ৰসনাৰে
গাওঁ বিজয়ৰ গান।
স্বাধীন আমাৰ ভাৰত জননী
মুক্ত কণ্ঠে গোৱা আৱাহনী
ৰিক্ত প্ৰাণৰ মলিন কুসুমে
কৰো পূজা আয়োজন।
শত শতাব্দী আঁউসী শেষত

স্বাধীন পূর্ণিমা জলে আকাশত
চৌঁৱা চৌপাশে উজলে ধৰণী
জোনাকত জলমল্।

আজি স্বাধীনতা মহা উৎসৱত
মঙ্গল গীতি বাজক প্ৰাণত
চিৰ বাঞ্ছিত মধু লগনত
হওক জাগ্ৰত জনগণ।

স্বাধীন দেশৰ আমি বিজয়ীৰ দল
আমাৰ নিৰ্ভিক জয় অভিযানে
ভাৰত ভৰিব ৰূপে ৰসে গানে
আমিয়ে কৰিম গৰিমা বিজয়ী
নব যুগ নিৰ্ম্মাণ।

ভাৰত মাতৃৰ বুকৰ সুধাৰে
মহান আত্মাৰ ত্যাগ সাধনাৰে
ধুই মুছি দিম পাপৰ কালিমা
ৰচিম নতুন গান।

প্ৰাণে প্ৰাণে মন্ত্ৰ জপিম
অতীত গৰিমা ঘুৰাই আনিম
জ্ঞান সংস্কৃতিৰ মন্দিৰ থাপিম
জগাম জাতিৰ প্ৰাণ।
অলকানন্দা বোৱাই ধুৱাম

ঋষিৰ মন্ত্রে চেতনা জগাম
জ্বলিব জেউতি সাধনা বিভূতি
ভাৰতৰ তপোৱন।

হিমাদ্রি মণিয়ে বাট পোহৰাব
যুগৰ গীতিয়ে কঁপনি তুলিব
নৱ ভাৰতৰ পোহৰে ৰঙাব
বিশ্বৰ সভাতল।

মহাভাৰতৰ মহান যজ্ঞত
ইন্দ্র ধনুৰ সপ্ত ৰঙত
ধ্রুব তাৰকাই অপৰূপ পথ
জিলিকাব জলমল,
আগবাঢ়ি যাম যুগ নির্ম্মাতা
আমি বিজয়ীৰ দল।

১৯৫১ চন, স্বাধীনতা দিবস উপলক্ষে ৰচিত,
অল ইণ্ডিয়া ৰেডিও'ত প্রচাৰিত

## বাপুৰ সপোন

জীৱনৰ বুলনিত দীপ শিখা লৈ
বিচাৰোতে বাট পোহৰৰ
উজলিল কল্পনাৰ সপোন সৰগ
"ৰাম ৰাজ" ভাৰতবৰ্ষৰ।
জীৱনৰ মণি-কুটত প্ৰেম প্ৰীতি অহিংসাৰ
উজলিল সপোন ৰূপৰ
শতিকাৰ গোটখোৱা এন্ধাৰ কুৱলী ফালি
জিলিকি উঠিল স্বপ্ন "ৰামৰাজ্যৰ"।
প্ৰেৰণাৰ দিব্য পৰশত ভাৰত জাগিল
জীৱনে বিচাৰি পালে মুক্তিৰ সন্ধান
হিংসা দ্বেষ বিভেদক কৰি পৰাজয়
প্ৰাণে প্ৰাণে ঝঙ্কাৰিত মুকুতিৰ গান।

ভাৰত স্বাধীন!
আজি মোৰ জীৱনৰ আজনম সাধনাৰ
স্মৰণীয় বাঞ্ছিত দিন
লাঞ্ছিতা জননী মোৰ মুক্ত নাগপাশ
জাতি মোৰ উন্নত শিৰ
ভাৰত-বৰ্ষত মই শতায়ু আয়ুস লৈ
বহু দিন জীয়াই থাকিম
মুনিজন ৰাঞ্ছিত মোৰ ই দেশত মই

শান্তি স্বৰ্গ ৰচনা কৰিম
নতুন আদৰ্শ লৈ ভাৰত গঢ়িম।
বাল্মীকিৰ বীণা সুৰে
সুধা সঞ্জীৱনী আনি
সাধনাৰে গৰিমাৰে কল্পনাৰ সৰগ ৰচিম
ভাৰতবৰ্ষত মই ৰামৰাজ্য থাপনা কৰিম।

পুণ্যধাম ভাৰতত মোৰ
সমতাৰ হব তপোৱন
নাথাকিব দুখ গ্লানি হিংসাৰ ম্লানিমা
জগতৰ প্ৰাণ তীৰ্থ ৰূপে
অমৰ মানব নীতি ভাৰতে শিকাব
সত্য শান্তি প্ৰেমৰ মৈত্ৰীৰে
মানুহৰ দুখ আঁতৰাব।
ঘৃণিতৰ অস্পৃশ্যৰ জীৱনত অমৃত বিলাব
শতাব্দীৰ সঞ্চিত পাপৰ
পৰাচিত জাতিয়ে কৰিব।
দীনতম দৰিদ্ৰক কৰ্ম্ম শক্তি দানি
দৰিদ্ৰতা কৰিব আঁতৰ
প্ৰতি জন গণে পাব যোগ্য অধিকাৰ
গুণী জনে পাব যোগ্য স্থান
প্ৰজা হব ৰজা ভাৰতৰ।

ক্ষমতাৰ অহঙ্কাৰ অৰ্থ লোলুপতা
নাথাকিব দেশ সেৱকৰ
সেৱাৰ সাধনা হব লক্ষ্য জীৱনৰ
সেৱা ব্ৰত ধৰ্ম্ম হ'ব মহৎ জনৰ।

অনাচাৰ অবিচাৰ অন্যায় শোষণ
ভাৰত নীতিত লব চিৰ নিৰ্ব্বাসন
অন্নাভাব নেথাকিব ৰাজ শোষণত
ভাৰতৰ গাওঁ হব পুণ্য তপোবন।
দৰিদ্ৰৰ পঁজা ঘৰ নদন বদন হব
কুটীৰ শিল্পই দিব প্ৰাচুৰ্য্য অতুল
স্বাধীন জীৱনে আত্ম প্ৰতিষ্ঠা ক্ষেত্ৰত
বিকশিব চৰিত্ৰৰ আদৰ্শ নিৰ্ম্মল।

ভাৰতৰ নাৰী চিৰ কল্যাণ দায়িনী
মাতৃ স্বৰূপিনী ত্যাগ মূৰতি ক্ষমাৰ
সত্যৰ সেৱিকা সাধ্বী আদৰ্শ জননী
যুগে যুগে জন্ম দাত্ৰী মহৎ জনৰ
দেবী ৰূপে মাতৃ ৰূপে হব সন্মানিতা
পূজাৰিণী মাতৃ মন্দিৰৰ।
ত্যাগ প্ৰেম নিঃস্বাৰ্থ সেৱাৰে
ৰচিব নতুন যুগ ভাৰতবৰ্ষৰ।

ভাৰতৰ অৰণ্যত সোণ ৰূপ জিলিকিব

কুটীৰে কুটীৰে হ'ব শান্তি নিকেতন
জন গণে শিক্ষা পাব যোগ্য জনোচিত
নাথাকিব ভেদ ভাব অভাব বেদন
মানৱৰ সুপ্ত আত্মা হব জাগৰিত।

জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে ভাৰত শিশুৱে
যোগ্য শিক্ষা পাব আৰু ৰোগ প্ৰতিকাৰ
অনাহাৰী দৰিদ্ৰতা যাব দূৰলৈ
ভাৰত শিশুৱে পাব
সুস্থ দেহ প্ৰচুৰ আহাৰ।

ঘৰে ঘৰে আনন্দৰ পদুম ফুলিব
শান্তিৰ জীৱন যাপি সন্তুষ্ট প্ৰজাই
শিল্প সংস্কৃতিৰে দেশ সজাই তুলিব
মহান জলধি সম ভাৰতৰ ধৰ্ম্ম বিশ্বৰূপ
পৰিব্যাপ্ত ভগবান আকাশে আনিলে
জ্ঞান বিজ্ঞানৰ অতীতত মানসৰ মণি মন্দিৰত
চিণ্ময় ৰূপেৰে চিৰ ভাৰতৰ অন্তৰাত্মা জ্বলে।

প্ৰাৰ্থনাৰে শুদ্ধ কৰি মলিন অন্তৰ
বিচাৰিলে পাবা তুমি তোমাৰ ঈশ্বৰ
তোমাৰ হিয়াতে আছে—
আৰু আছে জগতৰ হিয়াই হিয়াই
ভাৰতৰ ধৰমত ভেদ ভাব নাই।

উদাৰ আকাশ সম এয়ে ধৰ্ম্ম ভাৰতৰ
ঋষি বাণী দূৰ অতীতৰ।

মহা-মন্ত্ৰ শাশ্বত সুন্দৰ
সত্য প্ৰেম অহিংসাৰ
এয়ে ধৰ্ম্ম ভাৰতবৰ্ষৰ।

এয়ে মোৰ "ৰাম ৰাজ্য" সপোন সাধনা
অহিংস ব্ৰতৰ মোৰ জীৱনৰ চিৰ আৰাধনা
এই স্বপ্ন সাধনাত জীৱন তেজিম
মৰণ আহিলে সাদৰে বৰণ কৰিম।

কিন্তু হাঁয়!

আজি মোৰ স্বপ্ন স্বৰ্গ মৰহি শুকায়
কল্পনাৰ সাত ৰং নিৰাশাৰ আঁৰত লুকাই
স্বাধীনতা ক্ষমতাৰ পৰশন লাগি
সেৱক প্ৰাণৰ আজি দেৱতা লুকাই।

পাহৰি জীৱন পথ সত্যময় চিৰ সাধনাৰ
নীতিহীন জীৱনৰ ভোগ হ'ল মণি কণ্ঠ-হাৰ।

জীৱনৰ ক্ৰুৰ দৃষ্টি নামি পৰে ধূলিৰ মাজত
তপস্যাৰ জ্যোতি শিখা ম্লান হ'ল ৰাহুৰ গ্ৰাসত।

আজি যদি ভাৰতৰ জনগণে সাধনা পাহৰে
সত্য পথ পৰিহৰি আদৰ্শ স্বৰূপ হেলা কৰে

তপোভ্রষ্ট হীন-শক্তি হব মোৰ আৰাধ্যা জননী
দিব্য জ্যোতি হব ম্লান দুর্নীতিৰ কলুষতা সানি।
মোৰ চিৰ আৰাধিতা তপস্বিনী ভাৰতবৰ্ষৰ
পাপ স্পর্শে জঁয় পৰা মুখখনি হাঁয়
পাপাসক্ত ভাৰতৰ দুর্নীতিৰ পাপ লীলা চাই
নিবিচাৰো আৰু মই পৃথিৱীত থাকিব জীয়াই
আৰাধিতা মাতৃ মোৰ বিদায় বিদায়!

---

## পৃথিৱী কি পালি দান

ভাৰতৰ চিৰ গৌৰৱ ৰবি
পশ্চিমত বুৰ গল
জ্যোতি হল অৱসান
অহিংসা ব্রতৰ মহিমা লুকাল
ভাৰতৰ সাধনাৰ
শেষ হল অভিযান।

হিংসা বিহৰ অনল জ্বলিল
ভাৰতৰ বুকু তেজেৰে তিতিল

এই ভাৰতৰ মহা পাতকৰ
হলাহল কৰি পান
শান্তি প্ৰেমৰ দেৱতাই দিলে
মহা প্ৰাণ বলিদান।

তপত তেজেৰে আৰতি জ্বলাই
পুণ্য জেউতী গল অ' নুমাই
কালিমা আৱৰা স্বাধীনতা আজি
মুকুতিৰ জয়গান, অৱসান।

বিশ্ব মৈত্ৰী কৰুণা মূৰতি
পুণ্য ত্যাগৰ অমলিন জ্যোতি
প্ৰেমৰ দেৱতা মহা-মানৱৰ
হিংসাৰে ললে প্ৰাণ।

দুহেজাৰ দূৰ বছৰ আগৰ—
মহাপুৰুষৰ জীৱন দানৰ
যীশু খৃষ্টৰ মহাজীৱনৰ—
সত্য সাধনা মানৱতা মহীয়ান
—অমৰ জীৱন গান।

নহল সলনি পুৰণি পৃথিৱী
হিংসা মলিন প্ৰাণ
যুগ যুগান্তৰ পাৰ হৈ গল
ৰাঙলি পৃথিৱী ৰঙা হৈ ৰল

মিছা সভ্যতাৰ হীন অভিমান
শত জীৱনৰ গান।

যুগ কবি জ্ঞানী শিল্পীৰ দান
বিজ্ঞান দৰ্শন সাধনাৰ মান
যুগ যুগ ধৰি লক্ষ সাধকে
জগোৱা জাতিৰ প্ৰাণ।

কোটি জীৱনৰ দিব্য জ্যোতিৰ
হাজাৰ যুগৰ বাট বুলনিত
সীমাহীন এই সময় গতিত
পৃথিবী কি পালি দান।

---

## তুমিতো নোহোৱা দেৱ সহজ মানুহ

তুমিতো নোহোৱা দেৱ সহজ মানুহ
মৰণত পৰাজয় হোৱা,
ভাৰতৰ তপস্যাৰ অমৰ আলোক তুমি
যুগ যুগান্তৰ উজলোৱা।

জীৱনৰ পাতে পাতে ধূলিত অঙ্কিত
সমুজ্জ্বল পদ চিহ্ন ৰেখা,
মানুহৰ পৰাণৰ সুখ দুখ ছায়াছবি
বেদনাৰ শেষ বহ্নি শিখা।

মৰুময় জীৱনত তোমাৰ অভয়বাণী
মৃত্যুঞ্জয়ী অমৰ আৰতি,
আদৰ্শৰ ধ্ৰুৱলোক সাধনা তোমাৰ
জীৱনৰ যাত্ৰা পথ গতি।

তোমাৰ তপস্যাব্ৰতে নৱ ভাৰতৰ
যাত্ৰা পথ চিৰ সমুজ্জ্বল,
সপোনৰ ৰূপ ছবি ধ্যান সৎগৰ
আকোঁতেই নিৰ্ব্বাপিত হল।

তুমি হীন ভাৰত এন্ধাৰ
আৰ্ত্তনাদ পোহৰ পোহৰ,
হৃদয়ৰ গুহাত বিলাই
নিষ্পেষিত আতমা জৰ্জ্জৰ।

পাহৰিলে নিৰ্দ্দেশ তোমাৰ
ভাৰতীয়ে সাধনাৰ ব্ৰত,
ক্ষমাহীন এন্ধাৰে আৱৰা
জীৱনৰ লক্ষ্যহীন পথ।

ন্যায়নীতি পাহৰিলে সুখ বিলাসত
স্বাৰ্থপৰ জাতিৰ জীৱন,
উচ্ছৃঙ্খল ক্ষমতাৰ অপ ব্যৱহাৰে
শক্তিহীন মানুহক কৰিছে পীড়ন।

দৰিদ্ৰৰ হাঁহাকাৰে পৃথিবীৰ
অমৃত শুকায়,
মানুহৰ দুৰ্নীতি পৰশে
অন্তৰৰ দেৱতা লুকায়।

প্ৰকৃতিত প্ৰলয় নাচোন
“পুতনা”ই অমৃত হৰিছে,
ক্ষীণায়ু জাতিৰ অভিশাপে
সৰগৰ দেৱতা কঁপিছে।

আতুৰ মানৱ প্ৰাণ
বেথাতুৰা বিকল ধৰণী
আহাঁ দেৱ উলটি আকৌ
বিলোৱা তোমাৰ সঞ্জীৱনী।

ভাৰত তপস্যা ক্ষেত্ৰ
দেৱভূমি সাধনা ৰঞ্জিত
যুগে যুগে আসুৰি শক্তি
ভাৰতত চিৰ পৰাজিত।

লক্ষ্য ভ্ৰষ্ট জাতিৰ জীৱন
সত্য পথ কৰা নিৰ্দ্ধাৰিত
শুদ্ধ কৰা ভাৰতক দিব্য প্ৰেৰণাৰে
ক্ষমা পূৰ্ণ সুন্দৰ দৃষ্টিত।

---

## 'সত্যমেব জয়তে নান্যতম্'

বিশ্বৰ বন্দনা মতে
লোৱাঁ দেৱ বন্দনা প্ৰাণৰ
জয়তু হে যুগ প্ৰতিষ্ঠাতা
জাতিৰ জনক তুমি
ভাৰতৰ নৱ জন্মদাতা।
সত্যৰ পূজাৰী।
আকাশ তলত পাতি
মুক্ত যোগাসন
সুন্দৰৰ দেৱালয়
কৰিলা স্থাপন।
অৱগাহি সুন্দৰৰ
প্ৰেম সমুদ্ৰত

অসীমৰ মহামন্ত্ৰ
কৰিলা সন্ধান
মৃত্যুঞ্জয়ী তুমি!
উন্মুক্ত হিংসাৰ অস্ত্ৰ
বুকু পাতি লৈ
অহিংসাৰ মহা মন্ত্ৰ
কৰি গলা দান।
নোহোৱা মানুহ তুমি
ধৰাৰ ধূলিৰ
কোনো জাত কোনো সমাজৰ,
ধৰণীৰ বাস্তৱতা ভেদি
ধৰাৰ মানৱ তুমি
উৰ্দ্ধ জগতৰ।
তোমাৰ মহান ব্ৰত
প্ৰেমৰ অমোঘ মন্ত্ৰে
কৰিলা বিজয় মহা
হিংসাৰ তাণ্ডৱ,
থাপিবা বিশ্বৰ শান্তি
তুমি ভাৰতত।
লুপ্ত কৰি মানৱতা
তাণ্ডৱৰ উল্লাসত
নৰকৰ দাবানল তুলিলে জ্বলাই।

হে অশীতি! যুগৰ দধিচি!
হৃদয়ৰ অস্থি দান কৰি
প্ৰতিষ্ঠা কৰিবা তুমি
শ্মশানত ধৰাৰ সৰগ!
প্ৰেমৰ পৰশ দানি—
প্ৰতিহিংসা কৰি ৰূপান্তৰ
শীলাময় কঠিন হিয়াত
সুপ্ত মানৱতা তুমি
তুলিলা জগাই।
ক্ষমাৰ কৰুণা সানি
দিলা প্ৰেম জেউতী চৰাই।
আজীৱন তপস্যাৰ সিদ্ধিৰ আহ্বান
প্ৰেম শান্তি ক্ষমা
অহিংসাৰ তপোৱন পাতি
হিয়াত জলাই দিব্য
শান্তিৰ শলিতা
ওলালা মৰণ জয়ী
বিশ্ব তীৰ্থ কৰি পৰিক্ৰমা।
পদ ৰজে ধন্য হল
সেই দিনা ধৰণীৰ ধূলি
কঁপি কঁপি লাখুটিত ধৰি
শান্তি জল ঢালি

কিমান নুমাবা তুমি
ধ্বংস ৰূপী মহা চিতানল ?

ৰিভেদৰ হলাহলে
বিষাক্ত বতাহ
সংসাব সমাজ
মানৱৰ যাত্ৰাপথ
পঙ্কিল দুৰ্ব্বাৰ।

ৰক্তাক্ত ধৰণীতল
গৃহহাৰা সৰ্ব্বহাৰা
পথিকৰ দল
মৰণ বিহ্বল
আৰ্ত্তনাদ কৰুণ কাতৰ।

আকাশ কঁপাই উঠে
প্ৰতিধ্বনি দিগ্ দিগন্তৰ
কেনেকৈ বুলিবা বাট
তেজেৰে পিছল
ৰক্তাক্ত পথেৰে তুমি
সেই দিনা ৰঞ্জিলা ধৰণী
ভাৰতক মন্ত্ৰ শুদ্ধ কৰি
উদ্বাত্ত কণ্ঠেৰে দিলা
মৃত্যুহীন বাণী।

তোমাৰ সাধনা—
ব্যৰ্থ কৰে সাধ্য কাৰ ?
বিশ্বৰ বন্দিতা ভাৰতৰ
পৰাজয় নাই,
মৃত্যু নাই ভাৰত আত্মাৰ।

বাজিছে দুন্দুভি ধ্বনি
নতুন যুগৰ
তপোৱন কুটীৰৰ মাটিৰ স্পন্দন
অতীতৰ পাহৰা সুৰৰ
জ্বলিব অক্ষয় বন্তি
ভাৰতৰ সাগৰ তীৰত
দিক্ ভ্ৰান্ত পথিকৰ—
ধ্ৰুৱ লক্ষ্য সাগৰ পাৰৰ "বাতিঘৰ"
তুমি গোৱাঁ সঞ্জীৱনী-গীতি
ঋষি বাক্য ধ্ৰুৱ মনোৰম
সত্যমেব জয়তে নান্যতম্—॥

# সম্ভবামি যুগে যুগে—

বিশ্বৰ বেদনা ভৰা ঘোৰ তমসাৰ
শতাব্দীৰ অভিশাপ শিৰত সাৰটি
ধৰিত্ৰীৰ বিলাপত চন্দ্ৰ, সূৰ্য্য উঠিল চমকি
অনাচাৰ অবিচাৰে জৰ্জ্জৰিত ভাৰতৰ প্ৰাণ
আকাশ ব্যাপিলে ৰুদ্ৰ প্ৰলয়ৰ গান
খলকিল সপ্তলোক সাগৰ প্ৰান্তৰ।

সেই দিনা ভাৰতৰ ক্ষুধিত আত্মাই
মাগিলে মুকুতি
দিব্য জ্যোতি হল প্ৰকাশিত
"সম্ভবামি যুগে যুগে"
যুগ স্ৰষ্টা হল আবিৰ্ভাৱ
পৃথিৱীয়ে শুনিলে সিদিনা
অলক্ষিতে আকাশৰ বাণী
সৰগী সমীৰে দিলে শুভ আগমনী
বিশ্ব মাতৃ হ'ল পুলকিতা,
ভাৰতৰ গগনত বিতৰি ভাস্কৰ জ্যোতি
উদিল সৱিতা।
ধন্য হ'ল ধূলিৰ ধৰণী
ধন্য ভাৰত মাতৃ চিৰ আৰাধিতা
যুগ মাতৃ মহা মানৱৰ।

জাতিৰ জনক! ভাৰতৰ হৃদয়াসনত
অভিষেক কৰিলে সিদিনা
পিতা ৰূপে গুৰু ৰূপে
বন্ধু ৰূপে ভাৰতে তোমাক।

মুক্তিৰ পূজাৰী! অহিংসাৰ মহা মন্ত্ৰ দানি
দিলা ব্ৰত ভাৰতক অভিনৱ মুকুতিৰ পথ
অজেয় শকতি ধৰি আসমুদ্ৰ হিমাচল
ঐক্য মন্ত্ৰে জাগিল ভাৰত।

তেত্ৰিশ কোটি কণ্ঠে মুক্তি মন্ত্ৰ গাই
কৰি লৈ কাৰাবাস মৃত্যু-নিৰ্য্যাতন
ভাৰতৰ দাসত্বৰ মহাবন্ধ
কৰিলা মোচন।

হেৰোৱা বিজয় মাল্য
পিন্ধাই মাতৃক
পিন্ধালা শিৰত চিৰ গৌৰৱ মুকুট
উৰুৱালা ভাৰতৰ গৰিমাৰ বিজয় কেতন।

জগতে বিস্ময়ে চালে
অহিংসাৰ মহান শকতি
ক্ষীণকায় ফলমূলাহাৰী কৌপিন ধাৰী
ভাৰতৰ সন্ন্যাসীৰ বুকুত জন্মিল সত্য জ্যোতি
নয়নত তপস্যা অনল।

দৃঢ়তাৰ ধৰি সুদৰ্শন—
বসুন্ধৰা কৰিলে বিহ্বল।

যি যুগ থাপিলা দেৱ সুদীৰ্ঘ জীৱন ব্যাপি
সাধনাৰ জ্বালি হোমানল

বঞ্চিত পতিতে পালে মন্দিৰৰ বাহিৰত
অমিয়া দেশত দেৱতাব পৰম সন্ধান

স্বাৰ্থময় জগত আঁৰত।

মানুহৰ অবিচাৰ নহয় ই ৰচা বিধাতাৰ
ঘৃণিতৰ ক্ষুধিতৰ ৰুদ্ধ অশ্ৰু মুছি বেদনাৰ
ধুৱাই মলিন ধূলি প্ৰেমৰ কৰুণা ঢালি
শুনালা জীৱন বাণী মুকুতিৰ মহা সমাচাৰ।

কৰ্ম্ম যোগ যজ্ঞ পাতি কৰ্ম্মফল প্ৰাণাহুতি
কৰিলা অৰ্পণ

স্থিতপ্ৰজ্ঞ মুনি! গীতা বাণী তোমাৰ সাধনা।

# দিব্য জ্যোতি চিৰ অস্তমিত

(আজি) ভাৰতৰ দিব্যজ্যোতি চিৰ অস্তমিত
বিশ্ব জুৰি উঠে হাঁহাকাৰ
তোমাৰ তেজেৰে ৰঙা লুণ্ঠিতা ভাৰতে কান্দে
জগত এন্ধাৰ।
আজি কোনে দিব শান্তিৰ উপায়
নুমাব হিংসাৰ জুই কৰুণাৰ অমৃত বিলাই।
ৰণ ক্লান্ত পৰিশ্ৰান্ত পৃথিৱীয়ে বিচাৰে তোমাক
কোনে পোহৰাব পৃথিবীৰ যাত্ৰা পথ
শান্তিৰ দেৱতা! আজি তুমি নাই।
হে ভাৰতী আই মোৰ, কলঙ্কৰ কালিমা আৱৰি
জীৱনৰ যাত্ৰা পথ কৰা নিৰ্ব্বাচন।
এয়েই তোমাৰ আজি কুটিলা নিয়তি।

হে ভাৰত প্ৰাণ! তোমাৰ মহান দান
ৰব চিৰ অটুট অক্ষয়
নাই পৰাজয়।
আমৰণ পান কৰি মৃত্যুৰ গৰল
নীলকণ্ঠ ৰূপে, মৃত্যুঞ্জয়ী চিৰ অমৰণ।
তুমি দেশ কালৰ অতীত সুন্দৰৰ অপূৰ্ব্ব সাধক
কেনেকৈ বুজিব দেৱ। স্বাৰ্থ অন্ধ মানুহে তোমাক!
ধূলিৰ শৰীৰ হ'ল ধূলিত মিহলি

পঞ্চভূত মিলি গ'ল মহা আকাশত
তোমাৰ প্ৰাণৰ শিখা সমীৰৰ স'তে মিলি
জগাব সপোন নিতে ভাৰত বুকুত।

সৰ্ব্ব জাতি সৰ্ব্ব ধৰ্ম্ম মহা মিলনৰ
মন্দিৰ স্থাপিত হব
ভাৰতৰ নৱ তীৰ্থ দ্বাপৰৰ যমুনা তীৰত
জ্বলিব তোমাৰ জ্যোতি শিখা ভাৰতৰ প্ৰাণ মন্দিৰত।

তুমি ভগীৰথ! পাপ দগ্ধ পৃথিৱীলৈ
ভাগিৰথী আনিলা নমাই
ভাৰত প্লাবিত কৰি সৰগৰ মন্দাকিনী
বৈ গল হিংসা জুই নুমাই ঢৌৱাই
মুক্ত যোগাসন পাতি আকাশ তলত
সুন্দৰৰ আৰাধনা শিকালা বিশ্বক।

আছিল কল্পনা—
ভাৰতৰ স্বপ্ন স্বৰ্গ কৰিবা ৰচনা
নাথাকিব পীড়িতৰ দুখ ক্ষুধাৰ যাতনা
ৰচিবা ভাৰত-তীৰ্থ শান্তিৰ সাধনা।

বনে বনে পৰ্ব্বতে—আশ্ৰমৰ পূজাৰ ৱেদীত
নুমুৱা আঁৰতি দীপ জ্বলিল দুনাই
পাঞ্চ জন্য নিনাদিলে হিয়াই হিয়াই।
নাই মৃত্যু নাই গ্লানি সত্যৰ নাই পৰাজয়।

আহাঁহে মানৱ যাত্ৰী!   অৱগাহি প্ৰেম সমুদ্ৰত
মানুহ জীৱন কৰা মানৱ সেৱাত নিৱেদিত
জীৱনৰ মহাসত্য কৰা অন্বেষণ—
দিলা জ্ঞান জীৱনৰ অমিয়া সন্ধান।

তোমাৰ অমল জ্যোতি শিখা হব, জীৱনৰ শুভ্ৰ পথ ৰেখা
তোমাৰ বিজয় শঙ্খ তুলি—গাই যাম মুকুতিৰ গান,
তোমাৰ অপূৰ্ণ স্বপ্ন শান্তি স্বৰ্গ কৰিম ৰচনা
জীৱনৰ প্ৰদীপ জ্বলাই আৰতিৰ দীপালী জ্বলাম।

গান্ধীজীৰ তিৰোধান উপলক্ষে
ৰচিত—চেনলা ৰেকৰ্ডিং, কলিকতা
১৯৪৭ চন

---

# কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

পাহৰণি অতীতৰ সোণালী দিনৰ
গৌৰব কাহিনী গথা
তীৰ্থক্ষেত্ৰ আহুতি বীৰৰ
জিলিকে পচিমে য'ত শৰাইঘাটৰ
পঞ্চ তীৰ্থ প্ৰাগজ্যোতিষৰ
পূবত জিলিকি আছে ৰাঙলী গড়ৰ
ৰঙা তেজ মোমাই শিবৰ
প্ৰতিভাৰ তীৰ্থ স্থান
লৌহিত্যৰ উত্তৰ তীৰত।

পখালো চৰণ নিতে
মহানন্দে উদাত্ত সুৰত
অসমৰ পৰাধীন নিদ্ৰিত যুগত
সোতৰশ চাৰি কুৰি সোতৰ শকৰ
ভাতৃ দ্বিতীয়াৰ তিথি মিলনৰ শুভ লগনত
উদিল নবীন সূৰ্য্য
অসমৰ মুক্তি প্ৰভাতত।

ৰাঙলী উষাই দিলে মঙ্গল উৰুলি
গিৰিশৃঙ্গে জাগে প্ৰতিধ্বনি
পুলকিতা প্ৰকৃতিয়ে গালে আগমনি
লুইতে হাঁহিলে শুনি
মুকুতিৰ শুভ শঙ্খধ্বনি

মুকুতিৰ মহান মন্ত্ৰত জাগিল ভাৰত
যুগৰ কঁপনি লাগি পূৰ্ব্বাচল উঠিল শিঁয়ৰি
পৰ্ব্বতৰ টিঙে টিঙে কন্দৰে কন্দৰে
মুকুতিৰ উঠে প্ৰতিধ্বনি
হাবি বন লাগে খলকনি
চেতনাৰ তুৰ্য্যধ্বনি শুনি
পৰ্ব্বত কঁপাই জাগে আজলি নাগিনী।

নবীনে বজালে শঙ্খ
প্ৰাগজ্যোতিষৰ অৰুণাচলত
অসমৰ আকাশত তিনিৰঙা পতাকা উঠিল
ঘৰে ঘৰে যঁতৰ ঘূৰিল
কঁপি উঠে অসমৰ বাহিৰ ভিতৰ
জননীৰ মুক্তিৰ পূজাত
নবীনৰ মেঘমন্দ্ৰ গভীৰ আহ্বান
স্বদেশৰ মুক্তিব্ৰত মহান মন্ত্ৰত
মুকুতি বলিয়া হ'ল অসম সন্তান।

যৌথ মহাৰথী
নবীনে তৰুণে পূৰ্ণাহুতি ৰচি দিলে
মাতৃৰ পূজাত
বৰি লৈ অসহন যাতনা কাৰাৰ
দেহ গেহ সঁপি দেখুৱালে মুকুতিৰ বাট।

# কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

পাহৰণি অতীতৰ সোণালী দিনৰ
গৌৰব কাহিনী গথা
তীৰ্থক্ষেত্ৰ আহুতি বীৰৰ
জিলিকে পচিমে য'ত শৰাইঘাটৰ
পঞ্চ তীৰ্থ প্ৰাগজ্যোতিষৰ
পূৱত জিলিকি আছে ৰাঙলী গড়ৰ
ৰঙা তেজ মোমাই শিবৰ
প্ৰতিভাৰ তীৰ্থ স্থান
লৌহিত্যৰ উত্তৰ তীৰত।

পখালে চৰণ নিতে
মহানন্দে উদাত্ত সুৰত
অসমৰ পৰাধীন নিদ্ৰিত যুগত
সোতৰশ চাৰি কুৰি সোতৰ শকৰ
ভাতৃ দ্বিতীয়াৰ তিথি মিলনৰ শুভ লগনত
উদিল নবীন সূৰ্য্য
অসমৰ মুক্তি প্ৰভাতত।

ৰাঙলী উষাই দিলে মঙ্গল উৰুলি
গিৰিশৃঙ্গে জাগে প্ৰতিধ্বনি
পুলকিতা প্ৰকৃতিয়ে গালে আগমনি
লুইতে হাঁহিলে শুনি
মুকুতিৰ শুভ শঙ্খধ্বনি

মুকুতিৰ মহান মন্ত্ৰত জাগিল ভাৰত
যুগৰ কঁপনি লাগি পূৰ্ব্বাচল উঠিল শিঁয়ৰি
পৰ্ব্বতৰ টিঙে টিঙে কন্দৰে কন্দৰে
মুকুতিৰ উঠে প্ৰতিধ্বনি
হাবি বন লাগে খলকনি
চেতনাৰ তুৰ্য্যধ্বনি শুনি
পৰ্ব্বত কঁপাই জাগে আজলি নাগিনী।

নবীনে বজালে শঙ্খ
প্ৰাগজ্যোতিষৰ অৰুণাচলত
অসমৰ আকাশত তিনিৰঙা পতাকা উঠিল
ঘৰে ঘৰে যঁতৰ ঘূৰিল
কঁপি উঠে অসমৰ বাহিৰ ভিতৰ
জননীৰ মুক্তিৰ পূজাত
নবীনৰ মেঘমন্দ্ৰ গভীৰ আহ্বান
স্বদেশৰ মুক্তিব্ৰত মহান মন্ত্ৰত
মুকুতি বলিয়া হ'ল অসম সন্তান।

যৌথ মহাৰথী
নবীনে তৰুণে পূৰ্ণাহুতি ৰচি দিলে
মাতৃৰ পূজাত
বৰি লৈ অসহন যাতনা কাৰাৰ
দেহ গেহ সঁপি দেখুৱালে মুকুতিৰ বাট।

পঞ্চভূত মিলি গ'ল মহা আকাশত
তোমাৰ প্ৰাণৰ শিখা সমীৰৰ স'তে মিলি
জগাব সপোন নিতে ভাৰত বুকুত।

সৰ্ব্ব জাতি সৰ্ব্ব ধৰ্ম্ম মহা মিলনৰ
মন্দিৰ স্থাপিত হব
ভাৰতৰ নৱ তীৰ্থ দ্বাপৰৰ যমুনা তীৰত
জ্বলিব তোমাৰ জ্যোতি শিখা ভাৰতৰ প্ৰাণ মন্দিৰত।

তুমি ভগীৰথ! পাপ দগ্ধ পৃথিৱীলৈ
ভাগিৰথী আনিলা নমাই
ভাৰত প্লাবিত কৰি সৰগৰ মন্দাকিনী
বৈ গল হিংসা জুই নুমাই ঢৌৱাই
মুক্ত যোগাসন পাতি আকাশ তলত
সুন্দৰৰ আৰাধনা শিকালা বিশ্বক।

আছিল কল্পনা—
ভাৰতৰ স্বপ্ন স্বৰ্গ কৰিবা ৰচনা
নাথাকিব পীড়িতৰ দুখ ক্ষুধাৰ যাতনা
ৰচিবা ভাৰত-তীৰ্থ শান্তিৰ সাধনা।

বনে বনে পৰ্ব্বতে—আশ্ৰমৰ পূজাৰ ৱেদীত
নুমুৱা আঁৰতি দীপ জ্বলিল দুনাই
পাঞ্চ জন্য নিনাদিলে হিয়াই হিয়াই।
নাই মৃত্যু নাই গ্লানি সত্যৰ নাই পৰাজয়।

আহাঁহে মানৱ যাত্ৰী ! অৱগাহি প্ৰেম সমুদ্ৰত
মানুহ জীৱন কৰা মানৱ সেৱাত নিৱেদিত
জীৱনৰ মহাসত্য কৰা অন্বেষণ—
দিলা জ্ঞান জীৱনৰ অমিয়া সন্ধান।

তোমাৰ অমল জ্যোতি শিখা হব, জীৱনৰ শুভ্ৰ পথ ৰেখা
তোমাৰ বিজয় শঙ্খ তুলি—গাই যাম মুকুতিৰ গান,
তোমাৰ অপূৰ্ণ স্বপ্ন শান্তি স্বৰ্গ কৰিম ৰচনা
জীৱনৰ প্ৰদীপ জ্বলাই আৰতিৰ দীপালী জ্বলাম।

গান্ধীজীৰ তিৰোধান উপলক্ষে
ৰচিত—চেনলা ৰেকৰ্ডিং, কলিকতা
১৯৪৭ চন

# কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

পাহৰণি অতীতৰ সোণালী দিনৰ
গৌৰব কাহিনী গথা
তীৰ্থক্ষেত্ৰ আহুতি বীৰৰ
জিলিকে পচিমে য'ত শৰাইঘাটৰ
পঞ্চ তীৰ্থ প্ৰাগজ্যোতিষৰ
পূৱত জিলিকি আছে ৰাঙলী গড়ৰ
ৰঙা তেজ মোমাই শিবৰ
প্ৰতিভাৰ তীৰ্থ স্থান
লৌহিত্যৰ উত্তৰ তীৰত।

পখালে চৰণ নিতে
মহানন্দে উদাত্ত সুৰত
অসমৰ পৰাধীন নিদ্ৰিত যুগত
সোতৰশ চাৰি কুৰি সোতৰ শকৰ
ভাতৃ দ্বিতীয়াৰ তিথি মিলনৰ শুভ লগনত
উদিল নবীন সূৰ্য্য
অসমৰ মুক্তি প্ৰভাতত।

ৰাঙলী উষাই দিলে মঙ্গল উৰুলি
গিৰিশৃঙ্গে জাগে প্ৰতিধ্বনি
পুলকিতা প্ৰকৃতিয়ে গালে আগমনি
লুইতে হাঁহিলে শুনি
মুকুতিৰ শুভ শঙ্খধ্বনি

মুকুতিৰ মহান মন্ত্রত জাগিল ভাৰত
যুগৰ কঁপনি লাগি পূৰ্ব্বাচল উঠিল শিঁয়ৰি
পৰ্ব্বতৰ টিঙে টিঙে কন্দৰে কন্দৰে
মুকুতিৰ উঠে প্ৰতিধ্বনি
হাবি বন লাগে খলকনি
চেতনাৰ তূৰ্য্যধ্বনি শুনি
পৰ্ব্বত কঁপাই জাগে আজলি নাগিনী।

নবীনে বজালে শঙ্খ
প্ৰাগজ্যোতিষৰ অৰুণাচলত
অসমৰ আকাশত তিনিৰঙা পতাকা উঠিল
ঘৰে ঘৰে যঁতৰ ঘূৰিল
কঁপি উঠে অসমৰ বাহিৰ ভিতৰ
জননীৰ মুক্তিৰ পূজাত
নবীনৰ মেঘমন্দ্ৰ গভীৰ আহ্বান
স্বদেশৰ মুক্তিব্ৰত মহান মন্ত্রত
মুকুতি বলিয়া হ'ল অসম সন্তান।

যৌথ মহাৰথী
নবীনে তৰুণে পূৰ্ণাহুতি ৰচি দিলে
মাতৃৰ পূজাত
বৰি লৈ অসহন যাতনা কাৰাৰ
দেহ গেহ সঁপি দেখুৱালে মুকুতিৰ বাট।

নবীনে শুনালে মুক্তি মন্ত্ৰ লোৱা স্বদেশৰ
মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পাতন
সাধিব লাগিব সবে কৰ্ত্তব্য দেশৰ।

কৰ্ম্মযোগ গীতা মন্ত্ৰ গাই কলে ভয় নাই
কৰ্ম্ম কৰা ফলাফল বিভুৰ হাতত।

উজ্জল ভবিষ্যত সুখ ঘৰ মৰমৰ
ত্যাগ কৰি অসমৰ কৃতী পুত্ৰগণে
মুক্তিব্ৰত তুলি ললে সাদৰি শিৰত
বৰি ললে কাৰাবাস ক্লেশ নিৰ্য্যাতন।

লাচিতৰ প্ৰতিনিধি অসমৰ বিক্ৰম কেশৰী
নবীনৰ দীপ্তিময় চকুৰ আগত
যুক্তিপূৰ্ণ সিংহ গৰ্জ্জনত
নোৱাৰে তিষ্ঠিব কোনো বিপক্ষ আগত
ধুলি হৈ উৰি যায়—
বিৰোধৰ কুটীল কৌশল।

অসম সন্মান অসমৰ স্বাৰ্থৰক্ষা
সেয়ে হ'ল জীৱনৰ ব্ৰত
নিৰ্ভীক যুদ্ধেৰে যুজি সিংহ বিক্ৰমত
উনৈশৰ উনৈশ চনত
ব্যৰ্থ কৰি বৃটিছৰ কুটীল কৌশল
অসমক বহুৱালে সিংহ আসনত।

মুগ্ধ হ'ল শক্তি প্ৰতীচ্যৰ
অসম বীৰৰ দেখি পৌৰুষ বিক্ৰম
অসম মাতৃয়ে দিলে বৈজয়ন্তী মালা
স্বদেশত কৰ্ম্মবীৰ নাম।

হে বিপ্লবী বীৰ! হে চিৰ নিৰ্ভীক
কৰ্ম্মময় জীৱনৰ দীপ্ত সূৰ্য্য
বুৰ গ'ল কাল সাগৰত
থৈ গ'ল আদৰ্শৰ মাতৃভূমি সেৱা স্বদেশত।
সেইদিনা ফাগুনৰ উতলা পৱন
একুৰি পোন্ধৰ শক নৱমীৰ এন্ধাৰ গগন
শেষ শয়নত বীৰ মুদিলা নয়ন।

তোমাৰ অমৰ নাম ভাৰতবৰ্ষত
হৈ ৰ'ল চিৰ অমৰণ
দিলে 'ভোলাভাই'য়ে নাম
"মুকুট বিহীন ৰজা অসম সম্ৰাট"
অসম মাতৃয়ে পিন্ধালে মুকুট
চেনেহৰ অমৰ পুত্ৰক
মহাযাত্ৰা, মহাপ্ৰয়াণত।

১৯৩৭ চনত কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ
তিথি উপলক্ষে ৰচিত ;
গুৱাহাটী।

# দেশভক্ত তৰুণৰাম

সেই দিনা ভাৰতৰ লুপ্ত জ্যোতি
এন্ধাৰ গগন
দাসত্বৰ হীনতাই আৱৰিলে কলুষিত
জনতাৰ মন।
পচিমৰ শাসনত মনুষ্যত্ব চিৰ পৰাজিত
শ্বেতাঙ্গৰ ৰঙা চকু দেখি
মানৱতা ম্রিয়মান পৌৰুষতা
আতঙ্কিত ম্লান সঙ্কুচিত।
ভাৰতৰ মুক্তি কণ্ঠ নিনাদি উঠিল
মুক্তি ঋষি আহ্বানত ভাৰত জাগিল
পূৰ্ব্বপ্ৰান্ত অসমত মুক্তি মন্ত্ৰ গৰজি উঠিল
স্পন্দনত সুশুপ্ত কেশৰী তৰুণৰ টোপনি ভাগিল।
গৰ্জ্জনত শ্বেতাঙ্গৰ ৰঙা চকু তভক মানিলে,
অসম বীৰৰ দেশ পচিমে চিনিলে।

নবীনৰ তৰুণৰ পাঞ্চজন্য
শঙ্খধ্বনি নিনাদি উঠিল
দুৰ্জ্জয় সাহসী বীৰ বিশাল হৃদয়
কৰ্ত্তব্যত সুমেৰু সমান
প্ৰমত্ত হস্তীৰ যুথ কৰি পৰাজয়।
বীৰ মাতৃ অসমৰ
বীৰ পুত্ৰ অজেয় দুৰ্ব্বাৰ দিলে পৰিচয়

নিয়তিৰ কুটিল ভ্ৰুকুটি
হেলাৰঙে পৰাজিত কৰি
অসমীৰ বীৰ সেনাপতি
জাতীয় ৰণত বীৰ দৰ্পে যায় আগবাঢ়ি
ইন্দ্ৰ তুল্য অপৰূপ
জ্যোতিৰ্ম্ময় ৰূপৰ আঁৰত
এটি বীৰ মহাপ্ৰাণ দেখি
সচকিত বিমুগ্ধ ভাৰত।
ইন্দ্ৰ সভা জিলিকিল
অসমৰ ৰূপ জেউতিত
দিলে নাম বিমুগ্ধ ভাৰতে
অসমৰ প্ৰিয় মনোৰম
"ডাৰ্লিং অব অসম"
তৰুণৰ বিক্ৰম পৌৰুষে
গঢ়ি গ'ল অজেয় অসম।
ভৰলুৰ পাৰে পাৰে শুনিছো আজিও
লুইতৰ আকুল ক্ৰন্দন।
নুশুনো মাথোন হায়
অন্তৰ জগোৱা বীৰৰ কণ্ঠৰ প্ৰতিধ্বনি
অসমৰ দুৰ্দিনৰ আউসী নিশাত
পৌৰুষৰ গভীৰ গৰ্জ্জন।

দেশভক্ত তৰুণৰাম ফুকনৰ
তিথি উপলক্ষে ৰচিত

# লোকপ্ৰিয় গোপীনাথ বৰদলৈ

ক্লান্তিময় মুক্তি যুদ্ধ কৰি সমাপন
স্বাধীন পতাকা তুমি থাপিলা প্ৰথমে
মৰমৰ নিজৰ দেশত গৰবিত বিজয় কেতন।
ভাগ্যবান লোকপ্ৰিয়, অসমে তোমাক দিলে
সন্মানিত অসমৰ শ্ৰেষ্ঠ মুখ্য স্থান
পূৰ্ণ হল মনস্কাম।

স্বদেশৰ কৰ্ণধাৰ ৰূপে—
স্বপ্নময় কল্পনাৰে গঢ়িলা অসম
কৰ্ম্মময় জীৱনৰ সমাপিলা কৰ্ম্মতে জীৱন
ধীৰে ধীৰে অসমৰ বিশাল ক্ষেত্ৰত
জাগিল স্পন্দন

পৰ্ব্বতত ভৈয়ামত নব চেতনাৰ
নৱ সংগঠনময় উঠিল কম্পন।

শিক্ষা দীক্ষা সংস্কৃতিৰ
সুবৰ্ণ কলচি চূড়া
জিলিকিল বিভিন্ন মন্দিৰ
স্তিমিত জীৱনে পালে
নৱ বিকাশৰ পথ
নতুনৰ আনন্দ মুক্তিৰ।

উপেক্ষিত অসমৰ কুটজালে বেৰা
সৰ্ব্বনাশা সমষ্টিক কৰি পৰাজিত
মহাত্মাৰ আশীৰ্ব্বাদ শিৰত সাৱটি
দৃঢ়তাৰে উদ্ধাৰিলা অসম মাতৃক।
অসমৰ গিৰিবাসী অনাদৃত ভাই ভনী
চেনেহৰ আহ্লাদত চাপিল ওচৰ
নৱ শিক্ষা সংস্কৃতিৰ নতুন পোহৰ পাই
ভৈয়ামত মিলালেহি সুৰ জীৱনৰ।
আছিল কল্পনা—
পৰ্ব্বত ভৈয়াম মিলি
অসমৰ কাম্য কাননত
স্বপ্ন স্বৰ্গ ৰচনা কৰিব
পৰ্ব্বতৰ চন্দনৰ ভৈয়ামৰ পদুমৰ
অনুপম সুৰভিত নৱ সংস্কৃতিৰে
ভাৰতক সুৰভি কৰিব।
ভবিষ্য সপোন আজি সপোনতে ৰ'ল
পৰ্ব্বত মিলন স্বপ্ন ইন্দ্ৰজাল হ'ল।
আজি দূৰ দূৰণীয়া
ভাই ভনী পৰ্ব্বতীয়া
মৌ মিঠা আই মাত
গড় ভেদি অসমীৰ কাণত নপৰে
শোষণত পীড়নত সোণৰ অসমে হাঁয়
বিভব বিহীনা হৈ অতীত সোঁৱৰে।

## ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা

সমুখত জীৱনৰ
জয়যুক্ত পথৰ আহ্বান
যৌৱনৰ দীপ্ত জয়গান
অৱহেলি বান্ধৱৰ কৰুণ বিননি
শুনি কাৰ মুক্তিবাণী
হে সন্ন্যাসী বৰি ললা
দেশব্ৰত স্বদেশ মাতৃৰ
দেশৰ সেৱাৰ হকে বৰি লৈ ব্ৰহ্মচৰ্য্য
তৃপ্ত জানো অন্তৰ তোমাৰ
তৃপ্ত প্ৰাণ স্পৰ্শ পাই পৰমা শান্তিৰ।

মুখত পৱিত্ৰ জ্যোতি
অন্তৰত কোমল মাধুৰী
হৃদয়ত তৃপ্তিময় শান্তি ছায়া—
উঠিছিল জ্বলি
অক্লেশে বৰণ কৰি
দৰিদ্ৰতা গ্লানি অপমান
দিলা দান মহাপ্ৰাণ
জননী সেৱাত
কল্যাণ ব্ৰতৰ চিৰ আদৰ্শ মহান।

ক্লান্তিহীন জীৱনৰ
ত্যাগপূৰ্ণ চিৰ সাধনাৰ
ধ্ৰুবপথ অতিক্ৰমি অপূৰ্ব্ব যাত্ৰাৰ
হে ভিখাৰী তাপস কুমাৰ
চিৰনিৰাশ্ৰয়
থৈ গলা আদৰ্শৰ স্বদেশৰ সেৱকৰ
ত্যাগময় মহা পৰিচয়।

ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ
সোঁৱৰণত।

---

## মুক্তিব্ৰত

হে বীৰ পূজাৰী দেশৰ
মুক্তিব্ৰত তীৰ্থগামীগণ
কৰা স্নান একতা তীৰ্থত
সমুখত তয়ামযা ৰণ—।
ভেদ ভাৱ পেলোৱা পাহৰি
পাঞ্চজন্য বাজিছে মুক্তিৰ
মানবৰ শ্ৰেষ্ঠ স্বৰ্গ মাথো
জননী পূজাৰ মন্দিৰ।

মোৰ আই চিৰ বিজয়িনী
চিৰকালে জননী বীৰৰ
যুগে যুগে জ্ঞান গৰিমাৰ
আদি ভূমি মৰত ধামৰ।
কত বীৰে মাতৃৰ পূজাত
শোণিতৰ যাচিলে আজলি
দাসত্বৰ লোহাৰ শিকলি
মোৰ আইৰ নহল মুকলি।
কোটি কোটি বীৰৰ জননী
আজি কিয় বন্ধন কাতৰ
সন্তানৰ বিভেদ নীতিত
মাতৃ পূজা অপূৰ্ণ দেশৰ।
থাকা তুমি চিৰকাল
ধৰমৰ ব্ৰতত তোমাৰ
ভেদ নীতি নকৰিবা
জননী পূজাত
সকলোৰে সম অধিকাৰ
নকৰিবা কলঙ্কিত
ভেদ নীতি সানি কালিমাৰ।
যুগে যুগে বীৰৰ শোণিতে
পখালি পৱিত্ৰ কৰা
মাতৃৰ মন্দিৰ।

মুক্তিব্ৰত অৱহেলি
কিয়নো তুলিলা
বিভেদৰ পাষাণ প্ৰাচীৰ।
তুমি হিন্দু তুমি মুছলমান
শিখ জৈন খৃষ্টান জাতত
সকলোৰে জননী ভাৰত
সকলোৱে এক দেশবাসী
পৰাধীন মাতৃৰ সন্তান
পৰিচিত কলঙ্কিত বিশ্বজগতত।

মাতৃ ভূমি চেনেহ দানত
সন্তানৰ সমান আসন
আছে জানো কিবা অবিচাৰ
ভাৰতৰ মৰমী কোলাত
ভাৰতৰ প্ৰিয় সন্তানৰ
কিয় মাতৃ দ্ৰোহ আচৰণ?

ভাৰতীৰ বিজয় সঙ্গীত
হোৱা নাই আজিও নীৰব
প্ৰকৃতিত নীৰবে বাজিছে
মোৰ আইৰ অক্ষয় কিৰিটী
অতীতৰ বিজয়িনী ৰূপ
ধৰণীৰ বুকত জ্বলিছে।

প্ৰকৃতিৰ পাটৰাণী—
অসমৰ নন্দন বনত
ৰঙা বেলি আজিও উঠিছে।
ভগদত্ত নৰনাৰায়ণ
চিলাৰায় লাচিত বীৰৰ
জয়গীত আজিও ঘোষিছে।
কত শিল্প চিত্ৰ নৃত্য গীত
চাৰু কলা ভাস্কৰ্য্য শিল্পৰ
মন্দিৰত সোণৰ কলচি।
পাষাণৰ বুকু ভেদ কৰা
অতীতৰ স্বাধীন কাহিনী
যোৱা নাই আজিও মলচি।
ইন্দ্ৰপ্ৰস্থ মহাভাৰতৰ
ইছলামৰ প্ৰদীপ্ত প্ৰতিভা
দিল্লীৰ ময়ুৰ সিংহাসন
বেদীখনি কষটি শিলৰ
সাক্ষী দিয়ে স্বাধীন যুগৰ
ভাৰতৰ বিজয় শাসন।
তুৰ্ভেদ্য প্ৰাচীৰে ঘেৰা
দূৰ্গ ৰাজি শুভ গৌৰৱৰ
শত হৰ্ম্ম মৰ্ম্মৰ ইমাম
বেগমৰ বিচিত্ৰ মহল

বিলাস ঐশ্বৰ্য্য অতীজৰ
সোঁৱৰায় স্বাধীনতা দিন।
আজিও জিলিকি আছে—
সুনীলিম যমুনা পাৰত
'শুভ্ৰ তাজ' সমাধি প্ৰেমৰ
নীৰব যুগল সমাধিত
অবসান বিৰহৰ গীত
তৃপ্ত আত্মা ছাহজাহানৰ।
কত যুগ পাৰ হ'ল
ভাৰতৰ স্বাধীন সপোন
মোছ খাই যোৱা নাই
শিলৰ বুকুত
পৰাধীন ভাৰতবাসীৰ
মাৰ গ'ল বুকুৰ স্পন্দন
চেঁচা হ'ল বীৰ তেজ
ধমনীৰ উতলা শোণিত।
উঠা মোৰ দেশ বাসী
স্বদেশৰ মুক্তিব্ৰত
লোৱাঁ বৰি নহবা বঞ্চিত
কৰ্ত্তব্য তোমাৰ বীৰ
প্ৰাণ বলিদান দিয়া
জননীৰ মুক্তিৰ বেদীত।

১৯৩৭ চন, তেজপুৰ

## তৰুণ প্ৰগতি

আজি ভাৰতৰ মাথোঁ
এটি বাট প্ৰগতিৰ
মানৱৰ মুক্তি স্বাধীনতা
বিশ্বৰ মাজত বাজে
একেটি মুক্তিৰ সুৰ
জীয়াই থকাৰ মাথোঁ
মূৰ্ত্ত আকুলতা।
সভ্যতাৰ মুখা পিন্ধি
কোটি কোটি মানুহৰ
জীৱনৰ প্ৰাপ্য অধিকাৰ
ঘৃণিত ভাৱেৰে বঞ্চি
ৰুধিছে যি জ্ঞানৰ দুৱাৰ,
কোটি কোটি মানুহৰ
ক্ষুধিত কঙ্কালবোৰে
বিচাৰিছে তাৰ প্ৰতিকাৰ
মানৱত্ব স্বত্ব অধিকাৰ।

ভাৰতীয়ে বিচাৰিছে
শতাব্দীৰ সঞ্চিত পাপৰ
গ্লানিময় দাসত্বৰ শাপৰ মুকুতি

বিচাৰিছে ঐক্যময়
মিলনৰ অজেয় শকতি
তেজোদীপ্ত জাগ্ৰত প্ৰগতি
বিচাৰিছে তৰুণৰ কৰ্ত্তব্য কঠোৰ
জীৱনৰ শ্ৰেষ্ঠ অৱদান।

তৰুণ সেনানী দল!
শুনা সৌ সমুখত
তোমালৈ বৈ আছে
কৰ্ত্তব্যৰ আকুল আহ্বান।
তোমাৰ নিস্বাৰ্থ দান
জগতৰ বুৰঞ্জীত
ৰাঙলী তেজেৰে ৰঙা
গৌৰবৰ জেউতি চৰাই
ওখ শিৰ ওখ কৈ
বুকু ভৰা আশা লৈ
জাতিৰ পাপৰ তুমি
পৰাচিত কৰিছা সদায়।

পাহৰিব লাগিব তোমাৰ
যৌৱনৰ সুখৰ কামনা
পাহৰিব লাগিব তোমাৰ
ভবিষ্যৰ সোণালী কল্পনা।

সহিব লাগিব তুমি
অসহনি ঘাত প্ৰতিঘাত
অত্যাচাৰ পীড়ন লাঞ্ছনা
পৰাধীন ভাৰতৰ মুকুতি ৰণত
ভাৰতৰ বীৰ বীৰাঙ্গনা
লোঁৱা ভাগ সময়ৰ অমূল্য ক্ষণৰ।

বিভেদৰ নীতি গঢ়ি
নহবা বিফল
আজি ই মুক্তিৰ ক্ষণিকত
জীৱনৰ প্ৰতিষ্ঠা ক্ষেত্ৰত
নথবা কলঙ্ক সানি
যুগমীয়া বুৰঞ্জী পাতত।
পাষাণ শকতি ধৰি
প্ৰতিষ্ঠাত সুমেৰু সমান
গঢ়িব লাগিব তুমি
স্বাধীন ভাৰত।

পৃথিৱীৰ শ্ৰেষ্ঠ তীৰ্থ
বিশ্ব শান্তি মহা মিলনৰ
ভবিষ্যৰ তৰুণ ভাৰত
পুৱতিৰ আকাশৰ
তৰুণ অৰুণ তুমি

সৰগীয় জেউতিয়ে কৰিব তোমাৰ
মৰতত সৰগ ৰচনা
হে নিঃস্বাৰ্থ মুক্তিব্ৰতী!
ভাৰতৰ মুক্তিব্ৰত তপস্যা তোমাৰ হওক
মানৱ কল্যাণ হওক জীৱনৰ শ্ৰেষ্ঠ আৰাধনা।

কলিকতা
ছাত্ৰ সম্মিলনত পঠিত।

---

## পৰাচিত

সুগভীৰ ধ্যানমগ্ন মহা মনীষীৰ
তপস্যা কঠোৰ ত্যাগে মুক্তি সংগ্ৰামৰ
আনিলে বাতৰি এটি
নৱ জনমৰ।
অতীতৰ ইতিহাস কিমান কৰুণ
জাতিৰ মহিমাময় সাধনাৰে ভৰা
চকুলো উপচি পৰা
হিয়া ভৰা কত শত ৰক্ত ইতিহাস
পৰাধীন ভাৰতৰ ভাগ্য বিৰম্বনা
শত ৰূপান্তৰ কত কঠোৰ সাধনা

পৰাভৱ দানৱতা
ধীৰে ধীৰে মুক্তি মন্ত্ৰ জাগৰিত কৰা।
হাজাৰ হাজাৰ কাৰাগাৰ উপচি পৰিল
নিৰ্য্যাতন সীমা পাৰ হ'ল
নিৰ্ব্বিকাৰ সত্যাগ্ৰহী
ভাৰতৰ মুক্তিকামী সৈনিকৰ দল।
হিয়া ভাগি পৰে হুমুনিয়া
তিলে তিলে আয়ু হৰি নিয়া।
নিৰুদ্ধ কক্ষৰ—
শিলৰ বেৰত লাগি
উভতি উভতি আহি
বিহে ভৰি উঠে কাৰাগাৰ।
বুকু ফাটি কেঁচা তেজ
মুখেৰে বাগৰি আহে
ভাঙোতে ভাঙোতে শিল বুকু ভাগি যায়
কত শত সুকুমাৰ জীৱন কুসুম কলি
অকালতে সৰি গ'ল সুৰভি বিলাই।
বুকু পাতি শুনি লৈ
বলিশাল ৰঙাকৈ
ত্ৰিৰঙা পতাকা খনি তেজেৰে বোলাই
ভবিষ্যত ভাৰতৰ স্বাধীনতা মন্দিৰৰ
জীৱন শলিতা গ'ল নীৰবে জ্বলাই

কত ডেকা গাভৰুৰ তপত তেজেৰে বন্ধা
আশাৰ ৰঙেৰে ৰঙা
ভাৰতৰ স্বাধীনতা বেদী মুকুতিৰ
কত ত্যাগী প্ৰবীণৰ উছৰ্গিত সংসাৰৰ
সুপৱিত্ৰ হোম ভস্ম থৈ
নুমাল জীৱন শিখা শেষ আৰতিৰ।

মুক্তি ঋষি সমাগত সেই দিনা ভাৰতত
মহাজাতি হ'ল প্ৰতিষ্ঠান,
তাতে হ'ল স্বাধীনতা মন্দিৰ নিৰ্ম্মাণ।
অহিংসাৰ মহামন্ত্ৰ অভিনৱ পথ
নকৰিবা প্ৰতিঘাত শিৰ পাতি লবা
ক্ষমিবা নীৰবে যত তীব্ৰ অত্যাচাৰ
পাবা অলক্ষিতে, জননীৰ মুক্তি আশীৰ্ব্বাদ
আনন্দ প্ৰসাদ।

অহিংসাৰ অভিযান
পৃথিবীয়ে বিস্ময়ৰে চালে
মুক্তিৰ সাধনা মন্ত্ৰ হ'ল জাগৰিত
পূবাৰুণে ৰক্ত ৰঙা মুক্তি আহে জীৱন বাঞ্ছিত।
স্বৰ্গীয় স্বাধীনতা বাণী—মাভৈঃ মাভৈঃ ধ্বনি
বন্দিলে চৰণ দেৱে ভাৰত মাতৃৰ।

শিকলি মুকলি হ'ল হাতৰ তোমাৰ
উঠা দেৱী বন্দিনী ভাৰত!
চোৱা সৌ পুৱাৰ অৰুণে
আনিছে কনক অৰ্ঘ তোমাৰ কাৰণে
ঊৰ্দ্ধ আলোকত বন্দিছে চৰণ দেৱগণে।

দীৰ্ঘ মোহ নিদ্ৰাৰ শেষত
মুক্ত-পাশ বন্দিনীয়ে মেলিলে নয়ন।
আউলী বাউলী কেশ দুহাতে বান্ধিলে
চৌ দিশে চকু মেলি চালে।
আচম্বিতে উঠিল শিয়ৰি
শুনিলে মাতৃয়ে—
পৰিলে কাণত আহি
হিংসাপূৰ্ণ মূৰ্ত্ত কোলাহল;
পৰিল মাটিত ঢলি
মুদিলে আকৌ চকু দেৱী ভাৰতীয়ে
কলে, মুক্তি ক'ত?

হোৱা নাই হোৱা নাই লাঞ্ছনাৰ শেষ
হোৱা নাই সন্তানৰ সিদ্ধি সাধনাৰ
হিংসাৰ নৰক অগ্নি জ্বলিছে বুকুত
ভাতৃয়ে আঘাতে নিজ ভাতৃৰ দেহত।

দেৱতা লুকাল—
হত্যাকাৰী দানৱৰ উঠিছে কোঢ়াল।

গঙ্গাৰ পবিত্ৰ সোঁত
মানুহৰ কেঁচা তেজে ৰক্ত কলুষিত
নাৰী শিশু ৰক্তে দেহ হ'ল সুৰঞ্জিত
মুক্তি ক'ত? শান্তি ক'ত?
ই নোহে ভাৰত নীতি, মুক্তি স্বাধীনতা
দানৱৰ অন্তৰত দেৱতা জগোৱা
বিশ্ব মৈত্ৰী সাধনাৰ প্ৰেমামৃত ক্ষমা
শান্তি মন্ত্ৰ ভাৰতৰ অম্লান মহিমা।

হিংসা দ্বেষ মহাপাপ নহলে আঁতৰ
মূল্যহীন স্বাধীনতা মুক্তি অৰ্থহীন
উপহাস মাথো এই বিজয় মাল্যৰ।
কৰা শুদ্ধি স্নান—
ত্যাগ কৰা ভেদ নীতি ভাৰত বুকুত
হে সন্তান হিন্দু মুছলমান!
প্ৰতি প্ৰাণে মানৱত্ব কৰা প্ৰতিষ্ঠিত
সবে মিলি প্ৰেমৰ শান্তিৰে
কৰা ভাতৃ হত্যাৰ পৰাচিত।

১৯৪৭ চন

অল ইণ্ডিয়া ৰেডিঅ'ত পঠিত, কলিকতা

# বাপুজীলৈ চিঠি

হে মহান হে তাপস হে অধিনায়ক
ভাৰতৰ ভাগ্য বিধাতা,
পৰাধীন জননীৰ মুক্তি ব্ৰত কামী
ভাৰতবাসীৰ তুমি পিতা।
ভাৰতৰ এচুকত পৰ্ব্বত দুৰ্গেৰে ভৰা
বশিষ্ট ঋষিৰ তপোৱন
সুজলা সুফলা চিৰ পৃথিবীৰ স্বৰ্গৰাজ্য
মোৰ এই জন্মভূমি জননী অসম।

নিৰলে আপোন মনে বজাওঁ প্ৰাণৰ বীণা
সপোন কবিতা ৰচো প্ৰাণৰ কথাৰে,
নিৰ্য্যাতিতা জননীৰ দুখৰ কাহিনী লেখি
আনিছো ভৰাই অৰ্ঘ বিষাদ বেথাৰে।
চৰণ ৰেণুৰে তযু ধন্য অসমৰ বুকু
প্ৰাগজ্যোতিষৰ পুণ্য পাণ্ডু নগৰত
বাঞ্ছিত অতিথি তুমি—কৰিলে চৰণ সেৱা
অসমীয়ে তিনিবাৰ লৌহিত্য তীৰত।

জানা তুমি অসমক সুপৱিত্ৰ পুণ্য তীৰ্থ
অসমৰ ৰীতি নীতি সত্য সৰলতা

শতাব্দী পূর্ব্বৰ মাথোঁ স্বাধীন অসম দেশ
অনুপম গৌৰৱৰ বিজয় বাৰতা।
আছে লেখা বুৰঞ্জীত—সোণালী আখৰে
অতীতৰ অসমৰ গৌৰব কাহিনী
অসমৰ বিক্রমত পৰাজিত সপ্তদশ বাৰ
পৃথিবী বিজয়ী বীৰ মোগল বাহিনী।
জানা তুমি 'চিলাৰায়' লাচিতৰ পৰাক্রম
অপূর্ব্ব বীৰত্ব কথা সমৰ ক্ষেত্রত
জানা তুমি সত্যাগ্রহী অসমৰ সাধ্বী সতী
কি দৰে মৰণ বৰে—হাঁহি হাঁহি মুখৰ কথাত।

কোন সেই আদিম যুগত প্রথমেই ৱেদৰ জনম,
পূর্ব্ব দেশ প্রাগজ্যোতিষত—
প্রথমে উষাই যাচে পুৱাৰ অৰুণ অর্ঘ
চিত্রাচল মান মন্দিৰত।
সুদূৰৰ অতীতত পুৰাতন ভাৰত যুগত
কুৰুক্ষেত্র মহাসমৰত
'ভগদত্ত' অসমৰ বীৰৰ খিয়াতি
আছে লেখা কৌৰৱৰ সেনাৰ মাজত।
আজিও জিলিকি আছে ভানুমতী কুঁৱৰীৰ
সুন্দৰ নির্ম্মল সৰোৱৰ

আজিও জিলিকি আছে শিল্প সুনিপুণ
'উষাৰ' শোণিতপুৰ ধ্বংস অগ্নিগড়।

শত শত কীৰ্ত্তি ৰাশি পাষাণ বুকুত অঁকা
অসমা সুষমা মোৰ সুপ্ৰাচীন অসম দেশৰ
লৌহিত্যৰ তীৰে তীৰে পঞ্চতীৰ্থ পুণ্যস্থান
মন্দিৰৰ দুৱাৰত শিলালিপি স্বাধীন যুগৰ
তপোৱনে তপোৱনে অলেখ তপস্যা ৱেদী
নিজৰাৰ কুলুধ্বনি চিৰ মনোৰম
গিৰি গুহা সুশোভিত ঋষিৰ আশ্ৰম।

সৰল অসম প্ৰাণ প্ৰকৃতিৰ মুক্ত পৰশত
কুটিলতা প্ৰৱঞ্চনা নেজানে সমূলি
নিৰ্ভিক কৰ্ত্তব্যপৰায়ণ শান্তিপ্ৰিয় জাতি।
অসমৰ গাৱঁলীয়া সৰল চিতীয়া
অসমৰ মাতৃজাতি মূৰ্ত্তিমতী সেৱা
স্বভাৱত কৰ্ম্মপৰায়ণা নিচেই আজলী।
অসমৰ হিন্দু মুছলমান—নাই ভেদ জ্ঞান
একে জননীৰ দুয়ো প্ৰাণৰ সন্তান।
সহোদৰ ভাই ভনী দৰে বিপদে সম্পদে
চেনেহেৰে আঁকোৱালি ধৰে।

আজি বিজাতীয় ভাবে আহি অসম ব্যাপিলে
আনিলে কুটীল নীতি হিংসা কলুষতা

শান্তিময় স্বৰ্গোপম অসম তীৰ্থত
হিন্দু ইছলামৰ আনিলে বিচ্ছেদ ভাব
ভেদৰ বাৰতা।
মিলনৰ মহা তীৰ্থ কৰি কলুষিত
চিৰ শান্তিময় এই অহিংস দেশত
বিজাতী' প্ৰভাবে আজি অসমৰ নাম লুপ্ত কৰে
দিব খোজে অসমৰ নাম পূৰ্ব্ব বঙ্গ ইছলাম প্ৰদেশ।

অসম স্বকীয়া দেশ ভাৰত বুকত
স্বকীয়া জীৱন গতি আচাৰ বিচাৰ
আদি সভ্যতাৰে পৰা অসমে ৰাখিছে
নিজৰ উজ্জল নাম বিক্ৰম সম্মান।
বৃহৎ বুৰঞ্জী জোৰা আত্ম সন্মানত
সন্মানিত সুপ্ৰাচীন অসমীয়া জাতি
ৰীতি কৃষ্টি সাহিত্য সভ্যতা
সাজ পাৰ আচুতীয়া নীতি।

আজি—মাতৃ ভূমিৰ হকে
কৰিছো গোহাৰি
মিনতি কৰিছো দেৱ
বিজাতী' স্বাৰ্থৰ সতে
অসমক নিদিবা সাঙুৰি।

আজিও জিলিকি আছে শিল্প সুনিপুণ
'উষাৰ' শোণিতপুৰ ধ্বংস অগ্নিগড়।

শত শত কীৰ্ত্তি ৰাশি পাষাণ বুকুত আঁকা
অসমা সুষমা মোৰ সুপ্ৰাচীন অসম দেশৰ
লৌহিত্যৰ তীৰে তীৰে পঞ্চতীৰ্থ পুণ্যস্থান
মন্দিৰৰ দুৱাবত শিলালিপি স্বাধীন যুগৰ
তপোৱনে তপোৱনে অলেখ তপস্যা ৱেদী
নিজৰাৰ কুলুধ্বনি চিৰ মনোৰম
গিৰি গুহা সুশোভিত ঋষিৰ আশ্ৰম।

সৰল অসম প্ৰাণ প্ৰকৃতিৰ মুক্ত পৰশত
কুটিলতা প্ৰৱঞ্চনা নেজানে সমূলি
নিৰ্ভিক কৰ্ত্তব্যপৰায়ণ শান্তিপ্ৰিয় জাতি।
অসমৰ গাৱঁলীয়া সৰল চিতীয়া
অসমৰ মাতৃজাতি মূৰ্ত্তিমতী সেৱা
স্বভাৱত কৰ্ম্মপৰায়ণা নিচেই আজলী।
অসমৰ হিন্দু মুছলমান—নাই ভেদ জ্ঞান
একে জননীৰ দুয়ো প্ৰাণৰ সন্তান।
সহোদৰ ভাই ভনী দৰে বিপদে সম্পদে
চেনেহেৰে আঁকোৱালি ধৰে।

আজি বিজাতীয় ভাবে আহি অসম ব্যাপিলে
আনিলে কুটীল নীতি হিংসা কলুষতা

শান্তিময় স্বৰ্গোপম অসম তীৰ্থত
হিন্দু ইছলামৰ আনিলে বিচ্ছেদ ভাব
ভেদৰ বাৰতা।
মিলনৰ মহা তীৰ্থ কৰি কলুষিত
চিৰ শান্তিময় এই অহিংস দেশত
বিজাতী' প্ৰভাবে আজি অসমৰ নাম লুপ্ত কৰে
দিব খোজে অসমৰ নাম পূৰ্ব্ব বঙ্গ ইছলাম প্ৰদেশ।

অসম স্বকীয়া দেশ ভাৰত বুকত
স্বকীয়া জীৱন গতি আচাৰ বিচাৰ
আদি সভ্যতাৰে পৰা অসমে ৰাখিছে
নিজৰ উজ্জল নাম বিক্ৰম সম্মান।
বৃহৎ বুৰঞ্জী জোৰা আত্ম সন্মানত
সন্মানিত সুপ্ৰাচীন অসমীয়া জাতি
ৰীতি কৃষ্টি সাহিত্য সভ্যতা
সাজ পাৰ আচুতীয়া নীতি।

আজি—মাতৃ ভূমিৰ হকে
কৰিছো গোহাৰি
মিনতি কৰিছো দেৱ
বিজাতী' স্বাৰ্থৰ সতে
অসমক নিদিবা সাঙুৰি।

জনমভূমিৰ মোৰ
অস্ফুট কান্দোন ধ্বনি
আকুল সুৰেৰে মোৰ
বাজিছে হিয়াত।
নকৰিবা তুমি অবিচাৰ
অসমৰ ভাগ্য লিপিকাত
কলা সাঁচ নিদিবা পেলাই
ৰক্ষা কৰা অসম মাতাক
নীৰব কবিৰ লোৰাঁ
হিয়া ভৰা ভক্তি প্ৰণিপাত।

[ ১৯৪১ চন—গুৱাহাটী। জিন্না ছাহাবৰ "পূৰ্ব্বাচল ইছলাম প্ৰদেশ" নাম দি অসমক এখন স্বকীয়া প্ৰদেশ কৰাৰ প্ৰস্তাৱত মহাত্মা গান্ধীৰ নীৰৱতা দেখি অসমৰ আবেদন ৰূপে এই কবিতাটি ইংৰাজী অনুবাদ কৰি গান্ধীজীলৈ পঠিওৱা হৈছিল।

অধ্যক্ষ শ্ৰীহেম বৰুৱাই এই কবিতাটি ইংৰাজীত অনুবাদ কৰি দিছিল। ]

## পাহাৰী তোমাৰ নাম নাযাবা পাহৰি

অসমীয়া হোৱাঁ সাৱধান!
মৰণৰ আহিছে আহ্বান
নহয় সময় এই আঁতৰি ৰবৰ
নহয় সময় এই ভোগ বিলাসৰ।

জাগি উঠে মহাকাল
বাজি উঠে পিনাক ধ্বংসৰ
জাতিয়ে বিচাৰে দাবী
জগতত মানব নামৰ
কেন্দ্ৰীভূত শক্তি জাগে জনম স্বত্বৰ।
ধ্বংস যজ্ঞ পাতি—
অসমত চক্ৰবেহু কৰিছে ৰচনা
মহাক্ষুধা জাগি উঠে
দেশ জননীৰ—।
কৰালীৰ কৰাল গ্ৰাসৰ
অসম প্ৰধান বলি
এইবাৰ মাৰণ যজ্ঞৰ।

অসমৰ অক্ষয় কীৰিতি
অসমৰ সুখ শান্তি

ভাষা আশা সৌভাগ্য গৌৰৱ
একেবাৰে নোৱাৰি গ্ৰাসিব
সপ্তৰথী আহি
চক্ৰবেহু কৰিছে ৰচনা
অসমীয়া ! ভাবা এটিবাৰ জাতিৰ ভাৱনা।

নেযাবা পাহৰি—
পাহাৰী তোমাৰ নাম,
মনোৰমা প্ৰকৃতিৰ
ৰাণী অসমীৰ তুমি প্ৰাণৰ সন্তান।
পৰ্ব্বতৰ গিৰিগুহা জুৰি জাৰণিয়ে
তুলিছে তোমাক মুক্ত প্ৰকৃতি দেৱীয়ে।
বীৰত্বত সন্মানত কাননৰ কেশৰী সমান
পাহাৰী তোমাৰ নাম।

ৰাণী অসমীয়ে নেজানে দাসত্ব কথা—
নেজানে কৰিব নতশিৰ
গিৰি স্নুতা কুঁৱৰী অসম।
অসমৰ তৰুণ যুৱকে
নলয় ভীৰুৰ নাম
তেজ বীৰ্য্য সাহসত বিক্ৰমত
নোৱাৰে পাতিব কেৱে ফেৰ
অসমৰ বীৰৰ আগত।

সাজু হোৱা অসমৰ তৰুণ-তৰুণী !
বাজে শুনা মৰণৰ ভেৰী
কঁকালত বান্ধি লোৱা পাটৰ টঙালি
ঘৰ এৰি নাযাবা আঁতৰি।
পূবৰ প্ৰচণ্ড ঢৌৱে আনিব মোহাৰি
পচিমৰ ঘৰিয়ালে ধৰিব কামুৰি
প্ৰচণ্ড ধুমুহাত উৰুৱাব ঘৰৰ মূধচ
ঘনে ঘনে হব বজ্ৰপাত
অসমৰ কোমল হিয়াত।

দুৰ্ভিক্ষৰ কাল গ্ৰাসে
খুলি খালে তেজ কলিজাৰ
ঘৰে ঘৰে ক্ষুধিতৰ উঠে হাঁহাকাৰ।
মুকলি-মূৰীয়া সৌ
অসমৰ সুঠাম শিশুৰ
হাড় ছাল সাক্ষী হ'ল
অনাহাৰী ৰুগীয়া শৰীৰ।

জাকে জাকে দুৰ্ভিক্ষ দূৰৰ
মুকলি দুৱাৰ পাই
হাবি বন পেলালে মোহাৰি
অসম লখিমী গ'ল
সোণ গুই সোমাল ঘৰত

আলখনী ললে বাঁহ
মাজ মজিয়াত বৰ পীবা পাবি।
তোমাৰ হালৰ মুঠি
লাহে লাহে ঢিলা হ'ল।
তোমাৰ বণিজ ডিঙা
ঘুণে ধৰি ভাগি গ'ল।

এইবাৰ অসমীয়া হোৱাঁ সচেতন
এতিয়াও কিয় তুমি নীৰব নিমাত
শিখণ্ডী স্বৰূপে সাক্ষী নহবা দেশৰ।
জাতি ধৰ্ম্ম পেলোৱা পাহৰি
যাউতি যুগীয়া মোৰ
সুৰদী অসমী নাম
ভীৰুতাৰ কাল ছাই সানি
যাবলৈ নিদিবা মোহাৰি।
নহয় সময় এই ভাবি গুণি আঁতৰি ৰবৰ
সময় তোমাৰ আজি
চোতালৰ হাবিয়নি অতাই লবৰ।

নহলেযে অজগৰে খাব
ভবিষ্যৰ সোণ জুই
খেদি খেদি ভাগৰ লাগিব।

দূৰলৈ লৰি গলে
নিজ ঘৰ মৰিশালি হব।
ভাবনা এবাৰ ভাবা নিজৰ দেশৰ।

আহিলে পূবৰ ঢল ভৰ বাৰিষাৰ
উলুৱনি উঘালি পৰিব
আহিলে ধুমুহা বৰ শিল বৰষুণ
নৈ জাঁজি উটি ভাহি যাব।
তুমি ৰ'বা পৰ্ব্বতীয়া শিলত খোপনি পুতি
শিৰ পাতি শিল বৰষুণ।
শালনিৰ সাৰ কাঠ তুমি
পোন কৰি মূধত লগাবা
পৰ্ব্বতীয়া নাম তুমি পাহৰি নাযাবা।

তুমি অসমীয়া!
যাউতি যুগীয়া এই গৰবী দেশৰ
এতিয়াও উতলিছে সিদিনাৰ উতলা শোণিত
শিৰে শিৰে ৰক্ত বীজে কয়
অসমীয়া চিৰ সম্মানিত,
আত্মসম্মানত অভিমানী জাতি জগতৰ।

এতিয়াও বীৰোচিত গৰিমাত
গৰবিত অসম সন্তান।

চুলিৰ আগতে খং
উঠে জ্বলি বেঁকা কথা কলে
পাহাৰী দেশৰ তেজ অসমৰ শিৰত উতলে।
এই অসমৰ নাম সাধ্য কাৰ পেলাব মোহাৰি
বান্ধি লোৱা পাটৰ টঙালি
ক্ষুদ্ৰ স্বাৰ্থ ভাবি ভাবি
সময়ৰ সুযোগ সোণালী
কৰ্ত্তব্য দেশৰ তুমি নাযাবা পাহৰি।

পাতা যজ্ঞ একতাৰ—
জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে ভেদ ভাব এৰি
হিন্দু মুছলমান বড়ো কছাৰী পাহাৰী!
আমি অসমীয়া,
ভাষা মোৰ অসমীয়া কোকিল সুৰীয়া
পৰ্ব্বত আমাৰ দেশ আমি পৰ্ব্বতীয়া।

আমাৰ অটুট স্বাস্থ্য শিলেৰে বন্ধোৱা
পৰ্ব্বত চূড়াৰ দৰে ওখ মন আকাশ পৰশা
উদাৰতা হৃদয়ৰ ব্ৰহ্মপুত্ৰ নদৰ সমান
ন্যায় সত্য ধৰ্ম্ম নীতি সাধনা আমাৰ।
শিষ্য আমি শঙ্কৰৰ ভাগৱতী ধৰম আমাৰ
ঘিণ কৰো জড়ত্বক, আৰাধনা কৰো মহত্ত্বৰ
অন্তৰৰ আন্ধাৰ গুহাত

ব্যথিত পৌৰুষে জাগে
মানৱৰ মহা মহিমাত।

উঠা উঠা অসমীয়া!
বান্ধা দল একতাৰ
ব্ৰহ্মপুত্ৰ নদৰ পাৰত
স্নান কৰি মন্ত্ৰ লোৱা দেশৰ সেৱাৰ।
জননীৰ যত গ্লানি যত অপমান
দূৰ কৰি কৰা তুমি প্ৰতিষ্ঠা নিজৰ।
অতীতৰ বুৰঞ্জীৰ বিজয়ী অসমে
ৰাখিলে পৌৰুষ নিজ প্ৰতিষ্ঠা থাপিলে
অসমৰ লুপ্ত গৌৰবৰ
পুনৰ প্ৰতিষ্ঠা কৰি জননীৰ অভিষেক
কৰিব পুনৰ।

অসমৰ হিন্দু মুছলমান নাই ভেদ জ্ঞান
একে চুবুৰীতে থাকি ধূলি বালি লৈ
উমলি-জামলি বৰ হয়।
সহোদৰ ভাই ভনী দৰে
নেজানে বিভেদ নীতি আচাৰ বিচাৰ
দূৰৰ বতাহ আহি অসম তীৰ্থক
আজি বাৰু কেনেকৈ অপৱিত্ৰ কৰে?

আহাঁ আজি মিলনৰ পৱিত্ৰ ক্ষণত
একেখনি ৰভাৰ তলত
দৃঢ় কৰি বান্ধা ভেটি অসমৰ কল্যাণ যজ্ঞৰ।
শকতিৰ পৰিচয় দিবৰ ই মহা সন্ধিক্ষণ
লাচিতৰ অসম দেশৰ॥

১।৮।৪৩ গুৱাহাটী।
দ্বিতীয় মহাসমৰৰ প্ৰলয়ঙ্কৰী অৱস্থাৰ
অনুভূতি লৈ ৰচিত।

---

## চেনেহী ভাষা

মানসী স্বৰ্গৰ দেৱ উপৱন
অ' মোৰ চেনেহী অসমী আই
সুজলা সুফলা মুনি মনোহৰা
তোতকৈ শুৱনী কোনোৱেই নাই।
তোৰ ৰূপ চাই ধৰাৰ বুকুত
নিতৌ সৰজো সৰগ পুৰী
তোৰেই ৰূপত নিতৌ দেখিছো
ৰূপৰ পোহাৰ জগত জুৰি।

তোৰ প্ৰতিকণা ধূলিৰে গঠিত
তেজ মঙহৰ সজাটি মোৰ
তোৰ অমৃতৰ জল বায়ু বাকি
সাতাম পুৰুষ কৰিছো বৰ।
বৰ ভাল পাওঁ আই তোৰ মুখৰ
মৌ সানি থোৱা সুৰদি মাত
শত বিষাদতো তোৰ মৌ মাতে
বুকুৰ কলিজা পেলায় শাঁত।

কেনেনো শুৱনী কেনেনো সুৱলা
কিমান সৰল তোৰ যে ভাষা
পৰাণ পৰশা অমিয়া বৰষা
হিয়া জুৰণীয়া চেনেহী ভাষা।
তোৰ বুকু জুৰি বহল লুইতে
সৰগী অমৃত থৈছে ঢালি
দুয়ো পাৰ জোৰা প্ৰকৃতি কানন
দুয়ো পাৰ জোৰা ৰূপালী বালি।

তোৰ মোহলগা ৰূপৰ মোহত
কাকতি ফৰিঙে ধৰিলে বেৰি
চিৰ অফুৰণ অমৃত ভড়াল
লুকাল কেনিবা সপোন পুৰী।

গোলামীয়ে নিলে আত্ম গৰিমা
হৰিলে চেতনা হৰিলে জ্ঞান
কানি বৰ বিহে খুলি খুলি খালে
শৌৰ্য্য বীৰ্য্য জাতিৰ প্ৰাণ।

অসমত এদিন কমাৰে গঢ়িলে
যুজৰ সজুলি হিলৈ বৰ
সোণাৰীয়ে সাজি দিলে হেংডাং
বাঢ়ৈয়ে সাজিলে তলাতল ঘৰ।
মৰণ পেপুৱা আজি অসমীয়া
কাটিলে নোলায় মুখৰ মাত
চাওঁতে চাওঁতে ভেটি মাটি গ'ল
ছবেলা ছমুঠি নোলায় ভাত।

অসম সন্তানে নুবুজিলে মোল
সোণেৰে সজোৱা সৰগ তোৰ
উদ্যমবিহীন অসমীয়া জাতি
নাতৰিল চিৰ ঘুমটি ঘোৰ।
সকলো হৰিলে ধন সোণ মান
তথাপি আছে তোৰ চেনেহী মাত
জগৎ সভাত বিজয়ী অসম
তাতো বহুৱায় ঘুণৰ দাঁত।

থাকিব আই তোৰ ৰূপৰ পোহৰ
নৈ জান জুৰি পৰ্ব্বত মালা
দুপাৰ শুৱাই সেউজীয়া ধানে
সোণালী ৰঙত কৰিব খেলা।
চেনেহৰ তোৰ সন্তানে যদি
সুৱদি ভাষাৰ নেৰাখে মান
স্বাধীন যুগৰ শলিতা নুমাব
হেৰাব প্ৰাণৰ সুৱদি গান।

১৯৩৭ চন, তেজপুৰ।

---

## মৰমী অসমী আই মাতৃভূমি মোৰ

বিজয়িনী মৰমী অসমী
মাতৃ ভূমি তুমি মোৰ
জনমৰ বহু সাধনাৰ
কোটী কোটী জীৱনৰ
মহা তীৰ্থস্থান।
পৱিত্ৰ মহিমা ভৰা ত্যাগোজ্জ্বল জীৱনৰ
সুৰঞ্জিত কৰমৰ দান।

এই মাটিতেই মোৰ মহা সমাৰোহ
পাছে পাছে জীৱনৰ কুসুম ফুলিছে

আকাঙ্ক্ষাৰ কামধেনু
কল্পনা বনৰ ৰঙে
সোণোৱালী শৈশৱৰ সপোন আঁকিছে।
অনাগত ভৱিষ্যৰ
ভাহি উঠে ৰূপ ছবি
উল্লসিত যৌৱনৰ মুগুধ স্বপ্নত
প্ৰাণৰ মাধুৰীবোৰে
মৰমৰ সোণ জিলিকাই
পৰাণৰ পাৰে পাৰে ৰূপ আৱেশত।

আকাশৰ জোনে মাতে
তৰাই দীপালী পাতে
নৈ জুৰি নিজৰাই মাতে ৰিঙিয়াই
বাৰিষাৰ লুইতৰ
খৰালিৰ বালিচৰ
মৌ স্মৃতি লৰালিৰ ধেমালিৰ ঠাই।
মনোৰম পঞ্চতীৰ্থ
গিৰিমালা সুবেষ্টিত
মহানন্দে সোঁৱৰায় গৰিমা অতীত
বীৰৰ শক্তিয়ে য'ত
চিৰকালে থাপি গ'ল
সমাধিৰে মাতৃভূমি কৰি সন্মানিত।

আজিও শৰাইঘাটে
অতীতৰ গৌৰবৰ
বীৰ লাচিতৰ কথা মনত পেলাই
অসম বীৰৰ তেজে
ৰাঙলী বৰণ ধৰি
লুইতৰ খৰসোঁত দিছিলে বোলাই।
পৰাধীন ভাৰতৰ
স্বাধীনতা সংগ্ৰামৰ
অসমৰ ৰণাঙ্গনে কৰে টল্‌বল্‌
অসম ভূমিত ফুলে
শত শত শ্বহীদৰ
হৃদয় শোণিতে ৰঙা ৰক্ত শতদল।

মুকুতিৰ আহ্বানত
বিয়াল্লিচৰ শ্বহীদৰ
জীৱন পাহৰি যোৱা মৰণৰ গান
কুসুম কোমল হিয়া
ডেকা গাভৰুৱে হাঁয়
সপোন পাহৰি দিলে প্ৰাণ বলিদান।
সপোন সফল হ'ল
মাতৃ ভূমি মুক্ত হ'ল
সাধনাত সিদ্ধি হ'ল জীৱনৰ ধ্যান,

সোণালী ক্ষেণত আজি
বীৰৰ জাতিয়ে কিয়
পাহৰিলে অতীতৰ গৌৰব সন্মান।

অসমৰ দীপ্ত তেজ
লুপ্ত হ'ল কিয় আজি
নিস্প্ৰভ জীৱন জ্যোতি সৌন্দৰ্য্য প্ৰাণৰ
পৰাজয় কাক বোলে
যি জাতিয়ে নেজানিলে
বিজয় উল্লাস কিয় নাই জীৱনৰ।
হে বিজয়ী চিৰকালে
শৌৰ্য্যময় সন্মানত
থাপিছা গৌৰব তুমি তুঙ্গ শিখৰত
অগৌৰব লেখা নাই
অসমৰ বুৰঞ্জীত
জ্বলে বিজয়ৰ টিকা দীপ্ত কপালত।

শিক্ষা দীক্ষা সংস্কৃতিৰ
শোণিত কণিকাবোৰে
শৌৰ্য্য ৰীৰ্য্য সাহসৰ বিচাৰে প্ৰকাশ
বীৰত্বৰ দীপ্ত শক্তি
ধমনীৰ সোঁতে আনে
কৰ্ম্মময় জীৱনৰ বিপুল উল্লাস

বিজয়িনী অসমীৰ
বিজয়ী সন্তান আমি
প্ৰাচ্য গৌৰৱৰ আমি লম শীৰ্ষ স্থান
যুগে মাতে ৰিঙিয়াই
আহাঁ আগ বাঢ়ো আগ
যুগৰ দাবীত লোৱাঁ শ্ৰেষ্ঠ সিংহাসন।

১৯৫৬ চন
গুৱাহাটী।

---

## পৃথিবীৰ ঋতুসজ্জা

অফুৰন্ত সৌন্দৰ্য্য প্ৰতিমা
অপৰূপা শুৱনী পৃথিবী
বিচিত্ৰ বৰ্ণেৰে ওপছাই ৰূপৰ সম্ভাৰ
চালে চকু ৰৈ যোৱা
কত ৰং ৰূপহৰ খেলা
ষড় ঋতু আহি আকাশ বতাহলৈ
সজাই তোমাক।
দুৰন্ত গ্ৰীষ্মৰ সূৰ্য্য কৰোজ্জ্বল
দাব দাহে উত্তপ্ত পৱন

প্ৰচণ্ড তাপত তপ্ত দগ্ধ ধৰণীক
জুৰাই দিনৰ ক্লান্তি
নিশা আহি বাকী দিয়ে শীতল সমীৰ।

গ্ৰীষ্ম শেষ হয়—
বৰষাৰ আগমনে ডাৱৰে আৱৰি
উন্মত্ত ধুমুহা বলে
আকাশত বিজুলী চমকে
দুৰন্ত বায়ুত—উত্তাল তৰঙ্গ উঠে
নদীৰ বুকত।
বিজুলীৰ চমকণি ঘোৰ গৰজনে
প্ৰাণী কুল ভীত শঙ্কাকুল
ধাৰাসাৰ বৰষা ধাৰত
প্লাবনৰ বান তুলি
নদী নলা সাগৰ বুকত
ওপচাই সিক্ত কৰি যায়
অন্তৰৰ উত্তাপ অনল।

হিয়াৰ জুৰণি আনে
আকাশত ৰামধেনু খনি
সাত ৰঙে জিলিকাই আশাৰ ৰহণে
সৃষ্টি সুৰ জাগি উঠে সজীৱ দেহত

গজি উঠে তৃণাঙ্কুৰ
পথাৰত সোণৰ চেকুৰা
সজীব প্ৰাণৰ—
নতুনৰ সেউজীয়া সাজে
সজাই তোমাক ধৰা
বাৰিষাৰ স্নিগ্ধ পৰশনে—
শেষ হয় বাৰিষাৰ তৰঙ্গ উত্তাল।

শৰতৰ স্নিগ্ধ হাঁহিত
উতলা হৃদয়
উৰি যায় মেঘ মালা দূৰ দূৰলৈ
সুনিৰ্ম্মল নীলিম আকাশ
জোনালী নিশাৰ শাৰদীয়
জোনাকৰ ঢলে
ওপচাই সুন্দৰ পৃথিবী
অশৰীৰী গীতৰ সুৰত
হাঁহে বনস্পতি শেৱালিৰ
শুকুলা পাহিৰে।

শুভ্ৰ শুক্ল বন পথ ৰচে
ৰাঙলী পদুমী সৰোবৰ
স্থল পদ্ম হাঁহে উপবনে
মৃদু বায়ু পদ্ম সুৰভিত

পাদ্য অৰ্ঘ্য লৈ
বাজে ক'ৰ আৱাহনী
শুভ শঙ্খ ধ্বনি গগণে পবনে।

আহে মাতৃ সিংহ বাহিনী
জয়ৰ মালিকা পিন্ধি
পৃথিবী তোমাৰ গ্লানি
মুছি দিবলৈ
দূৰ কৰি অকল্যাণ
অসুৰৰ তাণ্ডব নৰ্ত্তন
স্নিগ্ধোজ্জ্বল সূৰ্য্যৰ কিৰণ
বাগৰে জেউতি ঢল
আকাশ বতাহ সুনিৰ্ম্মল
মাতৃ আগমনে আনন্দ পুলক জাগে
উলাহৰ আনে শিহৰণ।

শৰতে বিদায় মাগে
হেমন্তৰ ধীৰ আগমনে
নৱ শস্য পাতে পাতে
হিম কণিকাই গাঁথে মুকুতাৰ মালা
সেউজীয়া ধাননি পথাৰ
শিহৰোৰ হালে বতাহত

সোণেৰে সজাই ধৰা
খেতিয়ক উলাহত আপোন পাহৰা
ঘোৰ তামসিক শীত আহে
বাও মাৰি চেচা বতাহৰ।

জাৰৰ ঠেটুৰা ধৰে
বছৰৰ জুৰণীয়া দিন
খেতি তুলি খেতিয়কে ভড়াল ভৰাই
সোণ গুটি চপাই কোচাই
মিলি জুলি ৰংমনে
মেজি পুৰি লগ ভাত খায়!
মন মোহনীয়া
ভোগালী বিহুৰ দিন ৰঙত বলিয়া।

পৰ্ব্বত টিঙত ফটিকৰ
ঢৌ তুলি তুঙ্গ শিখৰত
ৰত্নৰ কিৰিটী পিন্ধি
জ্বলে হিমালয়
হে ধৰিত্ৰী হে সৌন্দৰ্য্যময়ী
অপৰূপ ৰূপে তুমি
হোৱাঁ জ্যোতিৰ্ম্ময়।

শীতৰ শেষত
জাগে বসন্তৰ কলৰোল

বিহগৰ কাকলিত বনানি উতল
মুখৰিত বনভূমি উল্লাস আকুল।
সমীৰৰ ধীৰ প্ৰৱাহত
বিৰিখৰ শুকান ডালত
সৃষ্টিৰ প্ৰবাহ জাগে
কুমলীয়া কুঁহিপাতে তিৰ্‌বিৰ্ কৰি নাচে
ৰদ কাচলিত
কোন ৰূপ কোঁৱৰৰ প্ৰণয়ৰ মূৰ্ত্ত পৰশত
জাগে উলাহ প্ৰাণত
ফুলবোৰ কুঁহিবোৰ দিয়ে মোকলাই
কিশলয় হালে জালে ধীৰ সমীৰত।
ফুলে ফুলে ডাল ভৰি সুৰভি বিলাই
কৃষ্ণচূড়াত ৰঙৰ সফুৰা সাজে
ৰঙা ফুল থোপা-থোপে ফুলে
মাধবী মালতী ফুলে মৃদু দুলনিত।
কুৱলীৰ সুৰভি সুৰে বননি আকুল
কঁপি উঠে বনস্পতি
কেতেকীৰ উদাস সুৰত।
কুঞ্জে কুঞ্জে গীতৰ গুঞ্জন
বসন্তৰ মৌ মাখি মধু আহৰণে
বিকশিত পুষ্প আভৰণে
সজায় তোমাক ধৰা বিবিধ বৰণে।

ষড় ঋতু চন্দ্ৰ সূৰ্য্য প্ৰকৃতি পবনে
তোমাকে সজাই নিতে হে অপৰূপ
নিতৌ নতুন ৰূপ চন্দনে বন্দনে।

গুৱাহাটী কবি-সন্মিলনত
অনাতাঁৰ কেন্দ্ৰত পঠিত।

---

## আহ্বান

পুৱালে মুক্তিৰ উষা জিলিকিছে পূবে পূৱাৰুণ
প্ৰজাতন্ত্ৰ ভাৰতৰ জনগণ উলাহ মগন
নৱপ্ৰভাতৰ নতুন দিনৰ নতুন প্ৰভাতে আনি
সোঁৱৰাই দিলে মুক্ত ভাৰতৰ নব কৰমৰ বাণী—
ভাৰত সদায় আছিল স্বাধীন আজিও স্বাধীন আমি
পয়ত্ৰিশ কোটি ভাৰতবাসীয়ে বিশ্ব থাকিব জিনি।
যুগ অৱতাৰ শ্ৰীৰামচন্দ্ৰ কৃষ্ণ বুদ্ধ শঙ্কৰৰ
জনমদায়িনী ভাৰতবৰ্ষ জ্ঞানদাতৃ মানৱৰ।

ভাৰতৰ সঞ্জীবনী প্ৰতি ধূলি কণাৰ মাজত
আছে লেখা মহত্বৰ পুণ্যলিপি বুৰঞ্জী পাতত।

অনন্ত বিজ্ঞান জ্ঞান মহানতা মহিমা বিকাশ
অমৰ আত্মাৰ ৰশ্মি প্ৰজ্ঞালোকে বিশ্ব পৰকাশ।
সাম্ৰাজ্যৰ সংঘাতত শক্তিহীন ৰাঙলী পৃথিৱী
হিংসা দ্বেষ লোকক্ষয় পাপে ম্লান যুগৰ সুৰভি
স্তম্ভিত জীৱনধাৰা থমকিল জীৱনৰ গতি।
সাম্ৰাজ্য-পীড়িত আত্মা জনগণে মাগিলে মুকুতি।

কঁপিল উত্তৰখণ্ড 'তথাগতে' দিলে শান্তিবাণী
জীৱপ্ৰেম অহিংসাৰ মহাধৰ্ম্ম 'পঞ্চশীল' দানি।
সাম্ৰাজ্য উছৰ্গি দিলে মানৱৰ কল্যাণী ব্ৰতত
সত্য প্ৰেম অহিংসাৰ ত্যাগময় জীৱন পথত।
শিকালে মহান মন্ত্ৰ ভাৰতত নৱজীৱনৰ
বিলালে ভাতৃত্ব প্ৰীতি বিশ্বমৈত্ৰী মধু মৰতৰ।

সেই মন্ত্ৰে ভাৰত জাগিল মহাত্মাৰ মহিমা প্ৰকাশি
বিশ্ব চমকিল দেখি ভাৰতৰ অপূৰ্ব্ব সন্ন্যাসী
মহাত্মাৰ ধ্যানস্বৰ্গ প্ৰজাতন্ত্ৰ ভাৰতবৰ্ষৰ
মানুহে ৰচিব যুগ ভাৰতৰ নৱ বিধানৰ।
মুক্ত ভাৰতৰ প্ৰজা, মুক্ত বায়ু, আকাশ মণ্ডল
প্ৰজাতন্ত্ৰ উছৱৰ বৰষিছে আশীষ মঙ্গল
হিয়াই হিয়াই ফুলে প্ৰেৰণাৰ সুখৰ কমল।
বাধাহীন জনশ্ৰোত অভিমান উল্লাসমুখৰ।

স্বাধীন জীৱন গতি শক্তিমান ভাৰত সন্তান
নৱ জীৱনত জাগে কৰ্ম্মময় বিশাল আহ্বান।
বিশ্ব মৈত্ৰী চেতনাৰ উদ্বুদ্ধ ভাৰত অনুৰাগী
তুচকুত লাগে ৰং সৃজনৰ সপোনৰ ৰাগী।
প্ৰতিভাৰ ইন্দ্ৰধনু বিচিত্ৰ বৰণে ৰূপায়িত
প্ৰাণে প্ৰাণে মুখৰিত জীৱনৰ মধুৰ সঙ্গীত।
মৃত্যু বিভীষিকাময় ৰণোন্মত্ত উতলা ধৰাত
ভাৰতৰ শান্তি বাণী বৰষিছে পুষ্প পাৰিজাত।

ভাৰতৰ পুণ্যভূমি স্বৰ্গসম পৱিত্ৰ ধূলাত
ঐক্যময় মহামন্ত্ৰে 'ৰামৰাজ্য' পাতিম ধৰাত,
বিজয়িনী ভাৰতৰ আমি যুগ বিজয়ী সন্তান
নতুন জীৱন গীতি পৃথিবীক আমিয়ে শুনাম।

১৯৫৫ চনৰ ২৬ জানুৱাৰী উপলক্ষে
দিল্লীৰ সৰ্ব্বভাৰতীয় কবি-সন্মিলনীত পঠিত।

# মাতৃ বন্দনা

চন্দন কুসুম গন্ধে
গাঁথিছো জননী কাব্য মালিকা
নৱ গীতি নৱ ছন্দে
চন্দন কুসুম গন্ধে।
বেদীকা থাপিছে জ্ঞান পথ অভিযাত্ৰী
সমাগত আজি তোমাৰ পূজাত মাতৃ,
গোপন প্ৰাণৰ মন্ত্ৰৰ গান—
শত সাধকৰ তেজে মহীয়ান
ধ্বনিছে তোমাৰ পূজা মণ্ডপত
অভিনৱ জয় গান।

শ্বেত মণ্ডপত শুক্ল পতাকা উৰে
শুভ্ৰ বেদীত জ্ঞানৰ জেউতি পৰে।
শুক্ল বসনা জ্ঞানদেৱী সমাসীন
গৰিমা পুষ্পে সুশোভিতা অমলিন।
বীণা তৰঙ্গে অজ্ঞান এন্ধাৰ হৰে
শুভ্ৰ মণ্ডপত শুকুলা পতাকা উৰে।

আজি শুদ্ধিৰ যজ্ঞ
সুষুপ্ত হিয়াত বাজে ঘনে ঘনে
নৱ জীৱনৰ ছন্দ

যত অশুচিতা ম্লানিমা তিয়াগি
উচ্চ নীচৰ বিভেদ বিৰাগি
মুক্ত হিয়াত ঝঙ্কাৰি উঠে
গোপন প্ৰাণৰ ছন্দ
সত্যৰ মহা মন্ত্ৰ।

মানৱ প্ৰাণৰ সৃষ্টিৰ শতদল
অনুৰঞ্জিত অনুৰাগে জল্‌মল্‌
সপ্ত ৰশ্মিত আলোকিত হিমাচল
সীমাহীন আজি জীৱনৰ গান
বাধাহীন কলকল
বিকাশি উঠিছে মানৱ প্ৰাণৰ
সৃষ্টিৰ শতদল।

বাণী দেৱীৰ শুদ্ধ পূজাৰী দল
অগৰু গন্ধে সুৰভিত পৰিমল।
মহানদত আহা অৱগাহি
শুচি বাস পিন্ধি আহাঁ আগবাঢ়ি
জ্ঞান সাধনাৰ পূজা মণ্ডপত
ভেদাভেদ নীতি নাই
উচ্চ নীচৰ ঠাই।
নিৰ্ম্মল হিয়াৰ পৱিত্ৰ কুসুমে
জননীৰ দুটি ৰাতুল চৰণে

দিয়া জীৱনৰ শ্ৰেষ্ঠ অৰ্ঘ
আনা গৌৰব ওলটাই—
লগণ উকলি যায়।

কাব্য কাননৰ ৰূপ মালাকৰ
বিচাৰি কুসুম বিশ্ব উদ্যানৰ
গাঁথা মালা ধাৰি জননী পূজাৰ
সুৰভিত মনোহৰ
পাৰিজাত গোন্ধে সুৰভিত কৰা
মধুৰ জীৱন ছন্দ
কলা দৰ্শন জ্ঞান বিজ্ঞানে
নৃত্য কাব্য গীতি অঙ্কনে
বাজক প্ৰাণত ললিত তানত
ঝঙ্কাৰ মধু মন্দ
নৱ সুৰ নৱ ছন্দ।

তৰুণ সুন্দৰ পূজাৰীৰ দল!
সত্য কামৰ চৰিত্ৰ নিৰ্ম্মল
লোৱাঁ জননীৰ বিজয় পতাকা
গোৱাঁ নৱ যাত্ৰাৰ গান।
নিৰ্ম্মল হিয়াত সত্য সুন্দৰৰ
পৱিব জেউতি নতুন পোহৰ
জীৱনে বিচাৰি পাব জীৱনৰ

অপৰূপ ৰূপ গন্ধ
নৱ যাত্ৰাৰ মন্ত্ৰ।

গোৱাঁ কবি গোৱাঁ জয় বন্দনা
গীতকাৰ ধৰা মধুৰ মূৰ্চ্ছনা
সুৰে সুৰে প্ৰাণ সঞ্জীবিত হওক
কাব্য অগৰু গন্ধ
কৰি জীৱনৰ ছন্দ।
সুপৱিত্ৰ এই অমৰ তীৰ্থত
উঠিব ওঙ্কাৰ গিৰি শিখৰত
কামাখ্যাই দিব বিজয়ী শক্তি
বশিষ্টই নৱ দীক্ষা।

নৱ ভাৰতৰ অৰুণাচলত
পঞ্চ তীৰ্থ সন্ধ্যাচলত
শৌৰ্য্য প্ৰতিভাৰ ৰশ্মি জ্বলিব
নৱ অভিনৱ শিক্ষা।
প্ৰস্ফুটিত হওক জীৱন স্বৰূপ
নৱ সংস্কৃতিত হোৱাঁ অপৰূপ
হে যুগ পথিক কৰা সুৰঞ্জিত
লোৱাঁ নৱ যুগ দীক্ষা
কৱি শঙ্কৰৰ মাধৱৰ গীতে
দিব ভাগৱতী শিক্ষা।

মাতৃ পূজাত বজোৱা ঐক্য শঙ্খ
ধুঁৱলী কুঁৱলী অসম আকাশ
শত বজ্রাঘাতে জীৱন হতাশ
আহঁা আগ বাঢ়ি তৰুণ অসম
নিনাদি শকতি তূৰ্য্য
মুক্ত ভাৰতৰ পূৰ্ব্বাচলৰ
বাণী মন্দিৰৰ জ্ঞান সাধনৰ
উজলি উঠক জগৎ সভাত
অজেয় পূৱৰ শৌৰ্য্য
নিনাদি বিজয় তূৰ্য্য।

অসম সাহিত্য সভা—গুৱাহাটী চতুৰ্ব্বিংশ
অধিবেশনত পঠিত ; ১৯৫৫ চন, ডিচেম্বৰ।

# আইৰ পূজা

পচিমৰ বেলিটিয়ে হাজাৰ শিখাৰে
আৰতি প্ৰদীপ জ্বালে লুইত বুকত
বেউলা সতীৰ য'ত অমৰ কাহিনী
সোণালী আখৰে লিখা নেতাই ঘাটত।
অসমৰ সীমান্তৰ সিংহদ্বাৰ পশ্চিম প্ৰান্তত
অসমৰ তীৰ্থ ক্ষেত্ৰ জননীৰ চৰণ তলত
ৰচিছে মিলন বেদী বিজয়ী সন্তানে
চিৰ চেনেহী মোৰ ভাষা জননীৰ
ৰূপোৱালী জয়ন্তী উৎসৱ।

ইখনি বিস্তৃত ৰঙা—অসম বিয়পা
ইতিহাসে ৰচি থোৱা অমৰ ভাষাৰ
পৰ্ব্বতে ভৈয়ামে গঁথা শিকলি সোণৰ
সংস্কৃতিৰ লীলা ভূমি বিভিন্ন ধ্যানৰ।
আইৰ পূজা বেদী খনি পতা অন্তৰত
উচ্চ-নীচ ভেদাভেদ নোৱাৰে পৰ্শিব
সুপৱিত্ৰ অমলিন জেউতি শিখাৰে
নিৰ্ম্মল প্ৰাণৰ জ্ঞানে বাট পোহৰাব।
শতেক শলিতা জ্বলে পূজাৰ ৱেদীত
শাৰী শাৰী দীপালীৰ জয়ন্তী উৎসৱ।

আতমাৰ জেউতিত জিলিকি উঠিব
বিমল জ্ঞানৰ শিখা উদীপ্ত অভিনৱ।

হে জ্ঞানী সাধক আহাঁ পবিত্র মনেৰে
মাতৃ চৰণত দিওঁ পূত পুষ্পাঞ্জলি
ই নোহে পার্থিব লক্ষ্য ধূলিৰ ধৰাৰ
ইযে— মৰতৰ মহা দীক্ষা জীৱনৰ লগ্ন সোণোৱালী।
এই সাধনাতে আছে কৌটী কুবেৰৰ ধন
অফুৰন্ত সৌন্দৰ্য্যৰ মণিময় খনি
এই সুৰতেই জাগে জীৱনৰ সুপ্ত বীণা.
তৃপ্তিৰ জলধি জোৰা সুৰ মন্দাকিনী।
মাতৃ পূজাতেই আছে ধৰ্ম্ম অৰ্থ মোক্ষ কাম
দীপ্ত চিৰ সুন্দৰৰ দিব্য অনুভূতি।
হে জ্ঞানী সাধক কবি! গায়ক বাদক শিল্পী!
জ্বলোৱা প্ৰাণৰ আজি অখণ্ড আৰতি।

সমাগত নৱ যুগ! সমাগত পূজাৰ লগণ
পৱিত্ৰ বন্ধনে বন্ধা শতেক প্ৰাণত
বিজ্ঞানীৰ অনাহত দিব্য বীণা ঝঙ্কাৰি উঠক।
অসমীৰ হৃদয়ৰ প্ৰস্ফুট কমলে সুৰভি ঢালক।
ধন্য হওক মাতৃ পূজা
অসমৰ পৱিত্ৰ তীৰ্থত

অতীতৰ মুনিগণে বৰষক শান্তি সুধা জল
শঙ্কৰ মাধৱ গুৰু আদি কবিগণে
বিতৰিছে অমৃত ৰশ্মিৰে
শান্ত স্নিগ্ধ প্ৰেম পৰিমল।

২৫শ অধিবেশন ধুবুৰী সাহিত্য সভাত পঠিত
২৪।১২।৫৬, গুৱাহাটী।

---

## পূৱৰ জেউতি

পুৱতি অৰুণে পোনতে বোলায়
পূৱ তোৰণৰ পৰ্ব্বত শাৰী
শুৱনী উষাই ৰাঙলী হাঁহিৰে
নিতৌ ৰঙায় ৰাঙলী কৰি।
পোন প্ৰথমতে জেউতি মৰলে
উজলায় গিৰি কানন বন
পুৱাৰ পখীয়ে বন্দনা গাই
জগায় নিতাল বননি খন।
হিমগিৰি ফালি বৈ আহে সোঁত
বৰ লুইতৰ ৰূপালী ঢল
কুলু কুলু গাই জান জুৰি নৈয়ে
পমালে গিৰিৰ চৰণ তল।

মোৰ অসমৰ মনমোহা ৰূপ
সেউজী সজীৱ প্ৰকৃতি লৈ
গঢ়িলে বিধিয়ে শ্যাম উদ্যানৰ
অসম শিশুক ধুনীয়া কৈ।
পাহাৰ বুকুৰ দৃঢ়তাৰে গঢ়া
ভৰা লুইতৰ মহিমা দানি
সেউজী মৰমী ধৰাৰ সৰগ
চিৰ চেনেহৰ অসমী ৰাণী।

---

## ওপজা ঠাই

অ' মোৰ মৰমী অ' মোৰ চেনেহী
অ' মোৰ শুৱনি ওপজা ঠাই
কোটী পুৰুষৰ মহিমাৰে ভৰা
চিৰ গৰবিনী অসমী আই।
তোৰ কোলাতেই চুচকু মেলিলো
পাহে পাহে ফুলে জীৱন ফুল
তোৰ ৰং সানি আঁকো ৰামধেনু
পাৰিজাত ফুলে আমোল মোল।

জীৱন পুৱাৰ উদয় পৰৰ
সোণ সুৰুযৰ পোহৰ লাগি
জোনালী নিশাৰ নীলিম আশাৰ
চকুত সানিলে ৰূপহী ৰাগী।
লৰালিৰ মোৰ সোণালী পৰৰ
শুৱনি লাৱনী পৰশে তোৰ
যৌৱনৰ শত কল্পনা সপোনে
প্ৰাণত জগালে শুৱনি সুৰ।

জীৱন মাধুৰী ফুৰে উৰি উৰি
সৌৰভ অমিয়া বিচাৰি ফুৰে
সুখ সৰগৰ মধু মৰতৰ
মৰমী স্মৃতিৰ মাধুৰী উৰে।
আই তোক সজালে কত খনিকৰে
সোণ বাখৰৰে শুৱনী কৰি
আই তোক পিন্ধালে শঙ্কৰে মাধৱে
কাব্য মুকুতাৰ মালিকা ধাৰি।

তোৰ ধূলি বালি—পৰ্ব্বত ভৈয়াম
মুকলি পথাৰ বহল নৈয়ে
সকলোতে মোৰ তেজ মঙহৰ
মৰমী সুৰৰ চিনাকি দিয়ে।

ফুল কুমলীয়া মৌ সৰি পৰা
সুৰদি ভাষাৰ অমিয়া সুৰে
ধুৱাম সজাম চৰণ দুখনি
মোৰ ৰাঙলী হিয়াৰ পদুম ফুলে।

---

## আমাৰ ৰঙালি বিহু চেনেহে ৰঙোৱা

শীতৰ কুঁৱলী ঠেলি বাসন্তী মলয়ে
গোপন বাতৰি দিলে ৰূপ কোঁৱৰৰ
প্ৰকৃতিৰ কাণে কাণে কলে মনে মনে
নিশাৰ মিলন গীতি মধু উছৱৰ।
পুৱতিৰ নিশা শেষ ফেচুৰ উৰুলি
নিজান বননি খন খলক লাগিল
কুলিৰ সুৱদি সুৰে কুউউ মাতত
শুই থকা ফুলবোৰ শিঁয়ৰি উঠিল।

কেতেকীয়ে সাৰ পাই হিয়া ভগা সুৰে
বিৰহি প্ৰিয়াক মাতে আকুল সুৰত
অকলে বিনাই ফুৰে দুপৰ নিশাত
প্ৰিয় স্মৃতি জাগে তাইৰ বহাগী বাৰত।

ফুলে ফুলে চুমি কয় বাসন্তী মলয়ে
কেতেকী বকুল উঠা মালতী টগৰ
সুৱদি সুৰভি মৌৱে সজোৱা শৰাই
আহিছে ৰঙালি বিহু নতুন বছৰ।

মিচিকি হাঁহিটি মাৰি পাতৰ আঁৰত
চম্পা মালতী জুতি অশোক বকুলে
পাহিবোৰ মেলি মেলি পাপৰি কঁপায়—
মলয়াৰ দোলনীতে নাচি হালে জালে।
দহিকতৰাই গায় ঠেও ধৰি ধৰি
গছৰ ডালত লাগে কঁপনি সুৰৰ
নৱ কিশলয় দুলে ফুলৰ ভৰত
থোপাবোৰ হালে জালে কপৌ ফুলৰ।

ঢোলত মাৰিলে কোব বহাগী ডাৱৰে
নোৱাই ধুৱাই দিলে শুৱনী ধৰণী
খৰালিৰ ধূলি বালি তল সৰি গ'ল
সেউজী সাজত জ্বলে মুকুতাৰ মণি।
কঠালে পেলালে মুচি আমে মলিয়ায়
মউ লোভী ভোমোৰাই গুণ্ গুণ্ গায়
বননিত কলৰোল কাকলি পখীৰ
মনোমোহা মধু সুৰে নানা গীত গায়।

চিকুণ ঘুমটি পুৱা ৰূপহী চকুৰ
পেপাৰ টিহিঁটী মাতে টোপনি ভাগিল
চোতালৰ বাহি বন আধা কৰা হ’ল
দূৰণিৰ সুৰ শুনি মন বিয়াকুল।
শালত গামোছা আছে ফুল আধাবচা
গামোছা নোলালে হব তাঁত বিহুচেৰা
হাতৰ আজৰি নাই লখিমীহঁতৰ
উগুল থুগুল মন উলাহে নধৰা।

পালেহি উৰুকা ৰাতি—কালি গৰু বিহু
মচিব লাগিব ঘৰ চোতাল পদূলি
চিৰা পিঠা সান্দহৰ গোন্ধত আমোল
ঘৰে ঘৰে ঢেঁকী মাত উচুলি মুচুলি।
পুৱালে উৰুকা ৰাতি পূৱে ৰেণু দিলে
টকা পেপা গগনাৰে ৰজন জনাই
গৰখীয়া লৰাহঁতে মাহ হালধিৰে
গোহালিৰ গৰুজাক নোৱাই ধুৱাই।

নতুন ধানৰ চিৰা পিঠা লাড়ু দৈ
ঘৰে ঘৰে খোৱা বোৱা মৰম মিলোৱা
সৰুৱে বৰক সেৱা কৰে জনে জনে
ন বিহুৱান দিয়ে চেনেহে বোলোৱা।

ৰঙা আঁচু পাৰি দিয়া তৰা ফুল বচা
কিমান চেনেহ সনা বিহুৰ গামোছা
মৰম বাঙলী আশা চেনেহ শুৱনী
অসমীৰ মৰমৰ চেনেহেৰে ৰচা।

ৰাঙলী গামোছা খনি মূৰত মেৰাই
ডেকাহঁতে বিহু পাতে পথাৰ মূৰত
ৰূপহীহঁতৰ হিয়া উলহ মালহ
খোপাত কপৌ ফুল নাচে উলাহত।
বছৰৰ চেনেহৰ ৰঙালি বিহুটি
নেপাতিনো পাৰো জানো থিৰেৰে থাকিব
চেনেহ ৰঙৰে ৰঙা এই বিহু গলে
কোনে জানে ঘুৰি আৰু আহিব নাহিব।

বিহুৰ সুৰীয়া গীত মন মোহনীয়া
মনৰ বাতৰি আহে গীতত সুৰৰ
অসমৰ গাভৰুৰ ডেকাৰ মনত
সুখৰ সপোন ৰচে নৱজীৱনৰ।
বিহুৱে হৰিলে চিত বিহুৱে শিকালে গীত
বিহুৱে গঢ়িলে জাতি বীৰ অসমীয়া
অসমত ভেদ নাই হিন্দু মুছলমান বড়ো
ৰঙালি বিহুৱে প্ৰাণ কৰে মতলীয়া।

দুখীয়াৰ পজাটিও সাৰি মচি নিকা কৰে
খুজি মাগি পিঠা পনা কৰে বছৰৰ
বহাগৰ বিহুটিত আদৰি সাদৰি আনি
যথা শকতিৰে কৰে সেৱা ভকতৰ।

বিহুতে সোমাই আছে উদাৰ মানৱ ধৰ্ম্ম
খন্তেকীয়া জীৱনৰ স্নেহ মৰমৰ
বছৰৰ বিহুটিত মিলনৰ মৌ সৰে
সজীৱ জীৱন চিত্ৰ আঁকে অসমৰ।
অসমীয়া ভাই ভনী পৰ্ব্বতৰ ভৈয়ামৰ
আহাঁ আগ বাঢ়ি ভাই পমুৱা চমুৱা
অসমৰ বিহুতলী মৰম ফুলেৰে ৰঙা
নিকা কৰি হিয়া মন খন্তেক জিৰোৱা।

# সমলয়

নিজকে নজনা কোন
সঙ্কুচিত জীৱন পাৰত
প্ৰতি পদে ভয়াতুৰ
ৰুদ্ধ কণ্ঠ নিষ্ফুট সুৰত
কিবা সুৰ উঠে বাজি
সুগোপন মৰ্ম্মৰ মাজত
নিজান নীৰব দীৰ্ঘ
তমসাৰ এন্ধাৰ আঁৰত।

বাৰিষাৰ অবিশ্ৰান্ত
জৰ্ জৰ্ বৰষা ধাৰত
নুবুজা নুশুনা ধ্বনি
কিবা সুৰ পৰেহি কাণত।
পুৰ্ৱতিৰ মলয়া ছাতিয়ে
প্ৰকৃতিত চেতনা বিলায়
বিহগীৰ কাকলিয়ে
শুই থকা বননি জগায়।

কণ্ঠত উথলি উঠে
ছন্দময় সুৰৰ মুৰ্চ্ছনা
হিয়াত গুমৰি উঠে
কিবা যেন নজনা বেদনা।

মোহময় কি সুৰত
চেতনা মুগ্ধ দুনয়ন
অপ্ৰকাশ জীৱনৰ
শুপ্তিময় মথিত চেতনা।

স্বপ্নাচ্ছন্ন মৰ্ম্মতল
অনুভূতি আচ্ছন্ন লিপিক
হিয়াৰ বীণত লাগে
মধুমীড় সুৰৰ গীতিকা।
মনৰ বনত মোৰ
বিকশিত প্ৰাণ কিশলয়
অনন্ত প্ৰকৃতি জুৰি
বাজে ক'ৰ সুৰ সমলয়।

## মৌ কোঁহ

অকণি— পূৱে পূৱেৰুণ নৌ দিওঁতেই
পুৱতী এন্ধাৰ নৌ যাওঁতেই
অ' মৌ মাখি কলৈ ওলালি
গুণ গুণ গীত গাই,
নিশাৰ ফুলনি জগাই তুলিলি
শেতেলীতে মোৰ টোপনি ভাঙিলি
ঢল পুৱাতেই কলৈ ওলালি
তোৰ কিয়নো তৰণি নাই।

মৌ মাখি—অ' অকমাণি নাই অ' জিৰণি
বহু কাম আছে বাকী
ৰহঘৰা মন সাজিব লাগিব
ফুল মৌ টুকি টুকি
বহু কাম আছে বাকী।

অকণি— এধানি জীৱটি হৈ
ইমান ডাঙৰ মৌ চাক খন
কেনেকৈ সাজিবি ঐ
এধানি জীৱটি হৈ।

মৌ মাখি—বিধাতাই দিছে শকতি যিকণ
তাৰেই সাধিম কাম
খন্তেকৰ বাবে নলওঁ জিৰণি
দূৰ দূৰণিৰ ফুল মৌ আনি
ৰহঘৰা ওপচাম
যিদিনা হাঁহিব পূৰ্ণিমাৰ জোনে
সিদিনা জিৰণি পাম !

অকণি— অ' মৌ মাখি
খন্তেক জিৰণি লবি
অকণি দুখনি পাতলীয়া পাখি
উৰলি পৰিব চাবি
খন্তেক জিৰণি লবি।

মৌ মাখি—অ' অকমাণি সময় নেথাকে বৈ
তুমিও শিকনি লোৱাঁ
কোমল তোমাৰ হিয়া কোঁহ খনি
জ্ঞান ফুলনিৰ ফুল মৌ আনি
মৌ ৰসে ওপচোৱা
তুমিও শিকনি লোৱাঁ।

3/9/55 ওম্ শান্তি !!

Library IIAS, Shimla
A 891.450 18 N 147 Y
00031955